# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

REFERENCE.
( NOT FOR ISSUE )

READING ONLY INSIDE LIBRARY.

सत्यमेव जयते

# OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

*BUDGET SESSION*

## VOL. I
## NO. 29

**The 15th May, 1989.**

Price Rs. 18·38

CONTENTS

REFERENCE,
( NOT FOR ISSUE )

( Budget Session )

READING ONLY INSIDE LIBRARY.

Volume—I, No—29

Dated the 15th May, 1989.

| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Voting on Demands for Grants | 25 |
| 3. | Adjournment | 88 |
| 4. | Annexure – I | 89 |
| 5. | Annexure – II | 93 |
| 6. | Annexure—III | 97 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday, May 15, 1989

REFERENCE
(NOT FOR ISSUE)

The House met at 9 of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair:

READING ONLY INSIDE LIBRARY.

## STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

ৰিষয়ঃ ইটা ভাটা।

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ), য়ে সুধিছে ঃ

*৫৮১। মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান ডিব্ৰুগড় জিলাত কিমানটা ইটা ভাটা আছে?

(খ) এই সকলৰ ভিতৰত কিমান জনৰ চৰকাৰী অনুজ্ঞা পত্ৰ আছে?

(গ) অনুজ্ঞা পত্ৰ পাবলৈ কি কি চৰ্ত্তৰ প্ৰয়োজন?

(ঘ) মুঠ ইটা ভাটা মালিকৰ ভিতৰত কিমানজন অসমীয়া আৰু কিমানজন অনা-অসমীয়া?

(ঙ) ভাটাৰ মালিকে নিয়মীত ভাবে চৰকাৰৰ কৰ দি আছে নে?

(চ) যদি দিয়া নাই তেন্তে ভাটাৰ মালিকৰ ওপৰত কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান ডিব্ৰুগড় জিলাত সৰ্ব্বমুঠ ১২৪ টা ইটাৰ ভাটা আছে।

(খ) উক্ত ইটা ভাটাৰ প্ৰায় সকলোৱে সংশ্লিষ্ট মহকুমা পৰিষদৰ পৰা অনুজ্ঞা পত্ৰ পাইছে বুলি উপায়ুক্তৰ প্ৰতিবেদনৰ পৰা জনা গৈছে।

(গ) চৰকাৰী মাটিত ইটা ভাটা কৰিবলৈ হলে তলত দিয়া চৰ্ত্ত কেইটা আৰোপ কৰা হয়ঃ

(১) ৩ (তিনি) বছৰৰ বাবেহে অনুজ্ঞাপত্ৰ দিয়া হয়।

(২) মাটিৰ খাজনা ওচৰত থকা ৩য় শ্ৰেণীৰ বাণিজ্যিক ঠাইৰ খাজনাৰ দুগুণ হিচাপে বছৰি খাজনা দিব লাগে।

(৩) মাটিৰ খাজানাৰ উপৰিও খনন কৰা মাটিৰ ওপৰত উপায়ুক্ত মহকুমাধিপতিয় ধাৰ্য্য কৰা মতে বছৰি প্ৰতি ঘনমিটাৰ মাটিত ২.৫০ টকাকৈ দিব লাগে।

(৪) মাটিৰ দখল চমজাই দিয়াৰ আগতে ভাটাৰ মালিকে উপায়ুক্ত মহকুমাধিপতিৰ ওচৰত অনুজ্ঞাপত্ৰৰ ম্যাদ উকলি যোৱাৰ পাচত মাটিৰ দখল এৰি দিব বুলি এখন চুক্তি পত্ৰ সম্পাদন কৰি দাখিল দিব লাগে।

(৫) ইটা ভাটাৰ মাটিত যাতে ভবিষ্যতে চৰকাৰী মীনমহল কৰিব পৰা যায় সেই উদ্দেশ্যে সংশ্লিষ্ট মীন বিভাগৰ অধীক্ষকৰ পৰা এখন আগতীয়া প্ৰতিবেদন লব লাগে।

(৬) ব্যক্তিগত লোকৰ নামত দিয়াৰ বাহিৰেও পঞ্জীয়নভুক্ত সমবায় সমিতিৰ নামতো ইটাভাটা খোলাৰ বাবে অনুজ্ঞাপত্ৰ দিয়া হয়।

(৭) ইটাভাটাৰ কামৰ বাবে ওচৰত ৰাজহুৱা ৰাস্তা বা ৰেল আলিৰ দাঁতিত মাটি কাটি অনিষ্ট কৰিব নোৱাৰিব।

(৮) অনুজ্ঞাপত্ৰৰ চৰ্ত্ত ভঙ্গ কৰিলে উপায়ুক্ত, মহকুমাধিপতিয়ে ইটা ভাটাৰ মালিকৰ অনুজ্ঞাপত্ৰ বাতিল কৰিব পাৰিব আৰু মালিকক বলপূৰ্ব্বক উচ্ছেদ কৰিব পাৰিব।

(ঘ) মুঠ ১২০টা ইটা ভাটাৰ মালিকৰ ভিতৰত মাত্ৰ ১৪ জন অসমীয়া লোক বুলি উপায়ুক্তৰ পৰা জনা গৈছে।

(ঙ) ইটা ভাটাৰ মালিকসকলৰ প্ৰায় সকলোৱেই চৰকাৰক কৰ দি আছে।

(চ) প্ৰশ্ন নুঠে।

শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে ডিব্ৰুগড় জিলাত মুঠ ১২৪টা ইটা ভাটা আছে আৰু সেইবিলাকে নিয়ম মতে কৰ দি আহিছে বুলি কৈছে। মই জানিব পৰা মতে ১২৪ টাতকৈ বেছি ইটা ভাটা আছে আৰু অসম চৰকাৰৰ এই বিত্তীয় সংকটৰ সময়তো আচল তথ্য দিয়া নাই। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে ডিব্ৰুগড় জিলাৰ খোৱাং মৌজাৰ বজপুৰীয়া বঙালী গাৱঁত আজি ৪/৫ বছৰে কোনো অনুজ্ঞাপত্ৰ নোহোৱাকৈ চলাই আছে। এই সম্পৰ্কত বহু বিষয়া কৰ্মচাৰীয়ে ভুল তথ্য দিছে, এই সকলৰ সম্পৰ্কত কি বিহিত ব্যৱস্থা লব? লগতে এই ১২৪ টা ইটা ভাটাৰ নাম জনাবনে?

শ্ৰীচন্দ্ৰ তাৰান্ধৰা (মন্ত্ৰী) : মাননীয় সদস্য গৰাকীয়ে যিটো বিশেষ ইটা

ভাটাৰ কথা উল্লেখ কৰিছে সেই বিষয়ত তদন্ত কৰি ব্যৱস্থা লম। দ্বিতীয় পৰিপূৰক প্ৰশ্ন সম্পৰ্কত কওঁ যে মূল প্ৰশ্নত সংখ্যাহে বিচাৰিছিল, নাম বিচৰা নাছিল। গতিকে তথ্য পোৱাৰ পিছত জনাম।

REFERENCE (NOT FOR ISSUE) READING ONLY INSIDE LIBRARY.

শ্ৰীকিৰণ কুমাৰ গগৈ : যিবিলাকে ভুল তথ্য প্ৰেৰণ কৰিছে তেওঁলোকৰ কি ব্যৱস্থা লব ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী) : চৰকাৰী বিষয়া এজনে যদি ভুল তথ্য প্ৰেৰণ কৰি সদনক বিপথে পৰিচালনা কৰিছে তেন্তে বিভাগীয় ব্যৱস্থা লোৱা হব।

শ্ৰীদীপেন তাঁতী : কৃষিভূমি অন্য কামত ব্যৱহাৰ কৰিব নোৱাৰে। বহু ক্ষেত্ৰত কৃষি ভূমি সম্পৰ্কত দেখা যায় ধান খেতিৰ পথাৰ বিলাক ইটা ভাটালৈ ৰূপান্তৰিত হৈছে, এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে। কৃষি ভূমিত ইটা ভাটা কৰাটো বন্ধ কৰিবনে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী) : ১৯৮৬ চনৰ ভূমি নীতি অনুযায়ী উপায়ুক্ত বা মহকুমাধিপতিৰ পৰা অনুজ্ঞা পত্ৰ নোহোৱাকৈ ইটা ভাটা খুলিব নোৱাৰে। কৃষি মাটিত অনুজ্ঞা পত্ৰ নোহোৱাকৈ ইটা ভাটা খুলিছে নেকি তদন্ত কৰি চাই ব্যৱস্থা লম।

Shri Abdul Jabbar : Sir, the hon'ble Minister in course of his reply has said that 14 brick-field owners are 'Assamese'. May I know from the hon'ble Minister how could he identify them as 'Assamese' ?

Shri Chandra Arandhara (Minister) : Sir, to me this question seems to be quite irrelevant ... ... ... (many Opposition members stood up and wanted to draw the attention of the hon'ble Speaker )... ... ... I am not supposed to give definition of the word 'Assamese'.

Shri Silvius Condpan : Sir, my submission is that when an hon'ble member puts a question the Minister has no right to say "This is irrelevant". (voices, yes, yes). It is upto the hon'ble Speaker to determine whether a

question is relevant or irrelevant. This sort of reply from Minister should not be repeated. We want your protection Sir.

Shri Chandra Arandhara (Minister) : Sir, I am not a language expert ; so I cannot give definition of the word 'Assamese'.

**বিষয় ঃ অসম লোক সেৱা আয়োগ।**

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ

*৫৮২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম লোক সেৱা আয়োগ কাৰ্য্যালয়ত কিমানজন কৰ্ম্মচাৰী আছে ?

(খ) উক্ত কৰ্মচাৰীৰ ভিতৰত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সংখ্যা কিমান ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম লোক সেৱা আয়োগৰ কাৰ্য্যালয়ত মুঠ কৰ্মচাৰীৰ সংখ্যা ১৩৭ জন।

(খ) উক্ত কৰ্মচাৰীৰ ভিতৰত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সংখ্যা যথাক্ৰমে ১০ জন আৰু ১৩ জন।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যদিও তেখেতে অনুসূচীত জাতিৰ ১০ জন আৰু জনজাতিৰ ১৩ জন আছে বুলি কৈছে শ্ৰেণী হিচাবে কিমান জন আছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ আয়োগৰ মুঠ কৰ্মচাৰীৰ সংখ্যা ১৩৭ জন। অনুসূচীত জাতি আৰু জনজাতি সংৰক্ষিত পদৰ সংখ্যাৰ হিচাব চৰকাৰৰ টি এ জি। বি চি। ৫৬৬।৮৭ তাং ২৬।১০।৮৭ নং পত্ৰৰ নিৰ্দেশ অনুযায়ী কৰা হয়। সেই নিৰ্দেশ অনুযায়ী সংখ্যাটো এনে ধৰণৰ—প্ৰথম শ্ৰেণীৰ বিষয়া ৮ জন - কেৱল পদোন্নতিৰ জৰিয়তে ভৰ্ত্তি কৰা হয় ২য় শ্ৰেণীৰ বিষয়া ৯ জন কেৱল পদোন্নতিৰ জৰিয়তে ভৰ্ত্তি কৰা হয়। ৩য় শ্ৰেণীৰ বিষয়া ৪৮ জন উচ্চবৰ্গ আৰু নিম্ন বৰ্গৰ সহায়ক, মুদ্ৰা লেখক আৰু গাড়ী চালক পদোন্নতি আৰু প্ৰত্যক্ষ মকৰল যোগে ভৰ্ত্তি কৰোৱা হয়। সাত শতাংশ, দহ শতাংশ আৰু পাঁচ শতাংশ হিচাপত বেকলগ থকা দেখা যায়। ৪ৰ্থ শ্ৰেণীৰ বিষয়া ১৭ জন—প্ৰত্যক্ষ মকৰলভাৱে, ৪ জন পদোন্নতিৰ জৰিয়তে। ৭, ১০ আৰু

% শতাংশ হিচাবত বেকলগ থকা দেখা যায়।

শ্ৰীআব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ জনসংখ্যাৰ ভিত্তিত চাকৰিত নিযুক্তি দিয়াৰ যিটো নীতি আছে সেই নীতি লোকসেৱা আয়োগৰ নিযুক্তিৰ ক্ষেত্ৰত প্ৰতিফলিত হৈছেনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : এই নীতি নীতিগত হিচাবেই পালন কৰা হৈছে।

## বিষয় : পৌৰ নিগমৰ শ্ৰমিক।

শ্ৰীহেমেন দাসে সুধিছে :

*৫৮৩। মাননীয় পৌৰ প্ৰশাসন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :—

(ক) গুৱাহাটী পৌৰ নিগমৰ চাফাই কামৰ বাবে স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ সংখ্যা কিমান ?

(খ উক্ত পৌৰ নিগমৰ নিজা কৰ্মচাৰী, ট্ৰাক আদি থকা স্বত্বেও কিছুমান ব্যৱসায়ীক চাফাই কামৰ বাবে ঠিকা দিছেনে ?

(গ) যদি দিছে, কি চৰ্ত্তত কিমান বছৰৰ বাবে ঠিকা দিছে আৰু ঠিকাদাৰ সকলৰ নাম কি কি ?

(ঘ) উক্ত নিগমৰ ইয়াৰ বাবে মাহে কিমান টকা খৰচ হয় ?

শ্ৰীচহিদুল আলম চৌধুৰী (পৌৰ প্ৰশাসন মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) স্থায়ী শ্ৰমিক ৪৮০ জন

অস্থায়ী শ্ৰমিক ১৯৪ জন

মুঠ ৬৭৪ জন

(খ) হয় দিয়া হৈছে।

(গ) ঠিকা দিয়া স্বৰ্ত্ত সমূহ :

১। ট্ৰাকৰ পেট্ৰল, মবিল আদি মালিকে দিব লাগিব আৰু ইয়াৰ বাবে পৌৰ নিগমৰ পৰা কোনো ওপৰঞ্চি ধন নাপাব।

২। ঠিকা দিয়া ট্ৰাকৰ চালক আৰু হেন্দিমেনে পৌৰ নিগমৰ পৰা কোনো অতিৰিক্ত ভাট্টা নাপাব।

৩। কামত থকা সময়ত ট্ৰাক বেয়া হলে তাৰ কাৰণে হিচাব মতে পোৱা ভাৰাৰ পৰা যথাবিহিত ভাৰা কাটিব পাৰিব।

৪। ভাৰাৰ ট্ৰাকে ৰাতিপুৱা ৬-৩০ বজাত কৰ্মস্থানত হাজিৰ হব লাগিব। আৰু আবেলি পাঁচ বজালৈকে কাম কৰিব লাগিব। এই কাম মাজে সময়ে বদলিব পাৰে।

৫। জাবৰ-জোথৰ আৰু নলাৰ মাটি ট্ৰাকে নি বৰচাপৰা জাবৰ থোৱা থাইলৈ লৈ যাব লাগিব। এই ক্ষেত্ৰত ঠিকাদাৰে জাবৰ পেলোৱা থাইৰ পৰিদৰ্শকৰ কথামতে কাম কৰিব। ট্ৰাকৰ চালকসকলক জাবৰ জোথৰ বিলাক ট্ৰেন্সিং গ্ৰাউণ্ডৰ ৰাস্তাৰ কাষত পেলাবলৈ মানা কৰা হৈছে, অন্যথায় তেওঁলোকৰ ঠিকা পিছদিনাই ৰদ কৰা হব।

৬। বন্ধ বা ছুটিৰ দিনত ঠিকাদাৰে বিনাকামে ভাৰাৰ কাৰণে দাবী কৰিব নোৱাৰিব। এই ক্ষেত্ৰত ট্ৰাক যান্ত্ৰিক বিজুতিৰ কাৰণে বন্ধ হলেও দাবী কৰিব নোৱাৰিব।

৭। গাড়ীয়ে কৰবাত দুৰ্ঘটনা ঘটালে তাৰ বাবে পৌৰ নিগম দায়বদ্ধ নাথাকিব। পৌৰ নিগমে বান্ধি দিয়া সময়তকৈ অধিক সময় গাড়ী চলাব নোৱাৰিব।

গাড়ীৰ ভাৰা ঃ

১। ছয় ঘন মিটাৰ নিব পৰা ট্ৰাকৰ কাৰণে প্ৰতি ট্ৰিপত ২৮০/= টকা

২। তিনি ঘন মিটাৰ নিব পৰা ট্ৰাকৰ কাৰণে প্ৰতি ট্ৰিপত ১৭১/= টকা

এই ঠিকা প্ৰথমে এবছৰৰ কাৰণে দি পিছত আৰু দুবছৰৰ কাৰণে বঢ়াই দিয়া হয়। এই ঠিকা ১৯৯০ চনৰ মাৰ্চ মাহত শেষ হ'ব। এই ঠিকা প্ৰথমে ১৯৮৭ চনৰ মাৰ্চ মাহত আৰম্ভ হয়।

ঠিকাদাৰ সকলৰ নাম ঃ

| | |
|---|---|
| ১। কল্যাণ দেৱ গোস্বামী | ১০। জয়দেৱ পাটোৱাৰী |
| ২। অনিল কুমাৰ শৰ্মা | ১১। চাৰুলতা দেৱী |
| ৩। কৃষ্ণ দীপ শৰ্ম্মা | ১২। অৱনী প্ৰসন্ন মহন্ত |
| ৪। প্ৰদীপ মিশ্ৰ | ১৩। দীপালী মহন্ত |
| ৫। কুসুমলতা দেৱী | ১৪। বাবুল আলি |
| ৬। মহম্মদ চফি | ১৫। সুশান্ত ৰায় |
| ৭। ৰফিক আলি | ১৬। এ, কে, চৌধুৰী |
| ৮। প্ৰফুল্ল মহন্ত | ১৭। শৰৎ শৰ্মা |
| ৯। জেচিম হালিম আহমেদ | মুঠ সোতৰ জন |

ঘ) নিগমৰ ইয়াৰ বাবদ মাহিলি গড় হিচাবে ২·০০ লাখ টকা খৰচ হয়

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা স্বীকাৰ কৰিছে যে পৌৰ নিগমত ৬৭৪ জন কৰ্মচাৰী আছে। এই সকলক জাবৰ জোথৰ পেলোৱাৰ কাৰণে ৰখা হৈছে। এতিয়া মোৰ প্ৰশ্ন হৈছে যে ইমানখিনি কৰ্মচাৰী আৰু ট্ৰাক থাকোতেও কিয় ঠিকা দিবলগীয়া হৈছে? যদি ঠিকাই দিয়া হৈছে এই শ্ৰমিক আৰু ট্ৰাক বিলাক কি কামত লগোৱা হৈছে?

শ্ৰীচহিদুল আলম চৌধুৰী : নিগমৰ বিভিন্ন কামত ব্যৱহাৰ কৰা হৈছে।

শ্ৰীহেমেন দাস : চৰকাৰৰ ইমান বিলাক শ্ৰমিক আৰু ট্ৰাক কি কামত ব্যৱহাৰ কৰা হৈছে?

শ্ৰীচহিদুল আলম চৌধুৰী (মন্ত্ৰী) : আমাৰ যথেষ্ট ট্ৰাক নথকাৰ কাৰণে ঠিকা দিবলগীয়া হৈছে।

শ্ৰীহেমেন দাস : ঠিকা দি যেতিয়া কামেই কৰাইছে পৌৰ নিগমৰ ট্ৰাক বিলাক কি কামত লগাইছে, মাৰোৱাৰীক ভাৰাত দিছেনেকি?

শ্ৰীচহিদুল আলম চৌধুৰী (মন্ত্ৰী) : আগৰ ট্ৰাক বিলাক বেয়া হৈ থকাৰ কাৰণে ট্ৰাক যথেষ্ট নহয় আৰু সেই কাৰণেই ঠিকা দিবলগীয়া হৈছে।

শ্ৰীহেমেন দাস : যদি ট্ৰাক বেয়া হৈছে সেই বিলাক মেৰামতি কৰাই নলয় কিয়? কিয় ঠিকা দিছে?

শ্ৰীচহিদুল আলম চৌধুৰী (মন্ত্ৰী) : আমাৰ ট্ৰাক যথেষ্ট নহয় বাবেই ঠিকা দিয়া হৈছে।

**Re : CHAR DEVELOPMENT AUTHORITY**

Shri Muktar Hussain asked :

* 584. Will the chief Minister be pleased to state :

(a) What are the functions of the char Development Authority ?

(b) Whether the Government will sanction money to the char Development Authority to provide more land tube-wells to the Char Area people ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চৰ উন্নয়ণ কপৰ্ত্তৃক্ষৰ কাৰ্য্য সম্পৰ্কে চৰ উন্নয়ণ কৰ্তৃপক্ষৰ স্মাৰক পত্ৰৰ ৩ নং দফাত সন্নিবিষ্ট কৰা আছে। (ইয়াৰ প্ৰতিলিপি এটা সদনৰ মেজত ৰখা হৈছে)। (See Annexure—I)

(খ) চৰ অঞ্চলৰ জনসাধাৰণক অধিক নলীনাদ যোগান ধৰাৰ উদ্দেশ্যে ১৯৮৯-৯০ চনৰ বছৰটোত চৰ উন্নয়ণ কৰ্তৃপক্ষৰ বাজেটত ২১ লাখ টকা ধাৰ্য্য কৰা হৈছে।

**বিষয় ঃ নতুন মহকুমা গঠন।**

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে ঃ

* ৫৮৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম গণ পৰিষদ চৰকাৰৰ কাৰ্য্যকালত বৰ্ত্তমানলৈকে অসমত কিমানটা নতুন মহকুমা গঠন কৰা হ'ল ?

(খ) নতুনকৈ গঠন কৰা মহকুমা সমূহৰ নাম কি কি ?

(গ) মহকুমা হিচাবে স্বীকৃতি পাবলৈ কি কি নীতি, স্বৰ্ত্ত আৰু উপদানৰ আৱশ্যক ?

(ঘ) ডিব্ৰুগড় জিলাৰ মৰাণক মহকুমা হিচাবে স্বীকৃতি দিবলৈ উক্ত নীতি সমূহ সম্পূৰ্ণ আছেনে ?

(ঙ) যদি আছে মৰাণক মহকুমা হিচাবে স্বীকৃতি দিয়া বাবে চৰকাৰে কি কি ব্যৱস্থা লৈছে ?

(চ) চলিত বিত্তীয় বছৰত মৰাণক মহকুমা হিচাবে ঘোষণা কৰিব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) তিনিটা মহকুমা গঠন কৰা হৈছে।

(খ) মাইবং, ধনশিৰি আৰু প্ৰাগজ্যোতিষপুৰ।

(গ) সাধাৰণতে ৰাজহুৱা স্বাৰ্থ, প্ৰশাসনিক আৰু জনসাধাৰণৰ সুবিধা, আৰ্থিক অৱস্থা আদি দিশ বিবেচনা কৰা হয়।

(ঘ) পৰীক্ষাধীন হৈ আছে।

(ঙ) প্ৰশ্ন নুঠে।

(চ) প্ৰশ্ন নুঠে।

শ্ৰীকিৰণ কুমাৰ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মৰাণ অঞ্চলটো মহকুমা হিচাবে পাবৰ কাৰণে আজি প্ৰায় ডেৰকুৰি বছৰৰ আগৰ পৰাই আমাৰ বাইজে দাবী কৰি আহিছে। এই দাবী ১৯৫০ চনৰ পৰাই কৰি আহিছে। ১৯৭৮ চনৰ লোক পিয়ল মতে আমাৰ জনসংখ্যা আছিল ৩ লাখ আৰু এতিয়া ৬ লাখ জনসংখ্যা হৈছেগৈ। ৰাজহো ১৯৭, চনত ৪ লাখ টকা

আছিল, এতিয়া ১০ লাখৰো বেছি হৈছে। মৰাণ আৰু শিৱসাগৰৰ মাজত এখন নগৰ পালিকা আছে আৰু আনখন নগৰ পালিকা নিদিয়াটে। অতি সাংঘাটিক কথা হৈছে। যোৱা ১৯৭৮ চনৰ কহলী আয়োগৰ প্ৰতিবেদন মতে মৰাণক সদৰ হিচাবে লৈ এটা নতুন মহকুমা গঠন কৰাৰ কাৰণে পৰামৰ্শ দিছে। মোৰ প্ৰশ্ন হৈছে যে, যোৱা বিধান সভাৰ বাজেট অধিবেশনত আমাক মহকুমা হিচাবে দিয়া হবনেকি বুলি সোধা এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিছিল যে, এইটো বিবেচনাধীন হৈ আছে। এই বছৰ উত্তৰ দিছে যে, পৰীক্ষাধীন হৈ আছে। এইটো এতিয়া পাৰ্মিট আৰু অনুজ্ঞাপত্ৰৰ নিচিনা হৈছে। আজি ডেৰকুৰি বছৰৰ আগৰে পৰা মৰাণক মহকুমা হিচাবে গঠন কৰাৰ বাবে দাবী কৰি অহা হৈছে। গতিকে মুখ্যমন্ত্ৰী মহোদয়ে কেনে ধৰণে পৰীক্ষা কৰি আছে এইটোৰ পৰীক্ষা কোন পৰ্য্যায় পাইছে ইয়াৰ এটা স্পেচিফিক ৰিজাল্ট দিবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এনেকুৱা দাবী অসমৰ বিভিন্ন ঠাইৰ পৰা আহিছে। এই দাবীবিলাক একেলগে পূৰণ কৰা সম্ভৱপৰ নহয়। গতিকে উৰ্জনি অসমৰ দায়িত্ব উজনি অসমৰ আয়ুক্তক, নামনি অসমৰ দায়িত্ব নামনি অসমৰ আয়ুক্তক আৰু ওপৰ অসমৰ দায়িত্ব ওপৰ অসমৰ আয়ুক্তৰ ওপৰত ন্যস্ত কৰা হৈছে। তেখেতসকলে প্ৰতিবেদন দাখিল কৰিছে আৰু অৰ্থ নৈতিক অৱস্থা আৰু বিভিন্ন অসুবিধালৈ চাই বিষয়টো ইতিমধ্যে বিভাগে পৰীক্ষা কৰিবলৈ লৈছে।

**Re : Office of the Assistant Settlement officer.**

Shri Aminul Islam asked :

* 586. Will the Minister, Revenue be pleased to state :

(a) Whether the offiice of the Assistant Settlement officer of Mankachar Revenue Circle is presently functioning at Dhubri ?

(b) Is it a fact that the Asstt. Settlement Officer's office functioned at Mankachar before it was shifted to Dhubri ?

(c) Whether the Governmten is aware of the fact that the people are facing due to the shifting of the said office from

Mankachar to Dhubri ?

(d) Whether A.S.O's Office is a Circle level office ?

(e) If yes, why it is not functioning at its own place ?

(f) Is it a fact that by allowing the office to function at Dhubri, the Government has practically taken the Revenue Administration away from the people in violation of the Cherished principles of decentralisation ?

(g) If so, will the Government make early arrangement for shifting the office ?

Shri Chandra Arandhara (Minister, Revenue) replied :

(a) Yes.

(b) Yes.

(c) Since the Re-settlement Operation is mostly confined to field survey, field motations etc, the question of hardship to land holders/settlement holders would not inarise. Rather their grievances and other complaints respect of land matters are locally settled in the field during the field programmes of survey Record Attestation, etc. Only the recess works are done by the A.S.O and his staff at the district headquarter for administrative convenience and better suppervision by the Settlement Officer/Asstt. Settlement Officer during the recess periods.

(d) Yes.

(e) It is convehtional that during Settlement or Re-settlement Operation, the offices of A.S.O's function in a centralised office only for racess work at the district headquarter for the convenience of supervision of Settlement Officer and the Senior A.S.O. and also for

economy and uniformity in setttlement work of ihe entire distrrict.

(f) No. For reasons stated in reply to question (e) above, the works of the Re-settlement opeartion are actually done in the fields with the co-operation of the people.

(g) For public convenience, Government is examining for shifting the A.S.O's office from Dhubri to Mankachar.

Shri Aminul Islum : Mr. Speaker, Sir, in reply to my question (c) Hon'ble Minister has stated that for public convenience and better supervision, the racess works are done by the A. S. O. and his staff at the district headquarte. Sir, it is learnt that a number of high officials including Deputy Commissioner, Dhubri visited to Mancachar for making arrangement for shifting of the A.S.O's office from Dhubri to Mankachar on a member follows back. My specific question is how long Government will take to shift the office to Mankachar.

Shri Chandra Arandhara (Minister) : Mr. Speaker, Sir, I do agree with the Hon'ble member. I also visited Mankachar and I felt the difficulties. So shifting will be taken as soon as possible.

বিষয় : দূৰদৰ্শন যন্ত্ৰ।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

*৫৮৭ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰে ১৯৮৮-৮৯ চনত কিমানটা দূৰদৰ্শন যন্ত্ৰ বিভিন্ন অনুষ্ঠান/প্ৰতিষ্ঠানত বিতৰণ কৰিছিল ?

(খ) এই দূৰদৰ্শন যন্ত্ৰসমূহ কি ভিত্তিত বিতৰণ কৰা হৈছিল ?

(গ) ১৯৮৯-৯০ চনত কিমানটা দূৰদৰ্শন যন্ত্ৰ বিতৰণ কৰিবলৈ স্থিৰ কৰিছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১। বেছি উচ্চক্ষমতাসম্পন্ন (মেইন্‌চ) ৮০০ (আঠশ) টা আৰু

২। পোনপতীয়া প্ৰাপ্তি (ডাইৰেক্ট ৰিচিভিং) (মেইনচ্) ২৪ (চৌবিশ) টা দূৰদৰ্শন যন্ত্ৰ বিতৰণ কৰা হৈছে।

(খ) ভাৰত চৰকাৰ আৰু উত্তৰ-পূব পৰিষদৰ নীতি অনুসৰি উন্নয়ণ খণ্ডৰ কাৰ্য্যালয়, গাওঁপঞ্চায়ত আৰু গাওঁপঞ্চায়তৰ এলেকাধীন চৰকাৰী পঞ্জীয়নভূক্ত নিজা ঘৰ, মাটি, আৰু বিজুলী যোগানৰ যথোচিত ব্যৱস্থা থকা ৰাজহুৱা সংঘ, পুথি ভঁৰাল বিলাকত দূৰদৰ্শনৰ সা-সুবিধালৈ লক্ষ্য ৰাখি বিনা-মূলীয়াকৈ এই দূৰদৰ্শন যন্ত্ৰ সমূহীয়া প্ৰদৰ্শনৰ বাবে বিতৰণ কৰা হৈছিল।

(গ) ১। বেছি উচ্চক্ষমতাপূৰ্ণ (মেইনচ্) ৩৬২ টা আৰু

২। পোনপতীয়া প্ৰাপ্তী (ডাইৰেক্ট ৰিচিভিং) (মেইনচ্) ৩১৪ টা বিতৰণ স্থিৰ কৰা হৈছে।

শ্ৰীভৰত নৰহ : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ধেমাজী আৰু উত্তৰলক্ষীম-পুৰলৈ ইয়াৰ পৰা সঞ্চালকে টি. ভি পঠিয়াইছে। কিন্তু তাত তেওঁলোকৰ পাব্লিছিটি অফিচাৰে কৈছে যে, টেক্‌নিকেল মানুহ নথকাৰ বাবে বিতৰণ কৰিব পৰা নাই। আজি ৬ মাহ হ'ল টি. ভি বিলাক পৰি আছে। আমি আমাৰ কোন কোন ক্লাবক টি, ভি দিব লাগে ইতিমধ্যে লিষ্ট দিয়া হৈছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সঞ্চালকক কৈ লক্ষীমপুৰ আৰু ধেমাজীলৈ টেক্‌নিচিয়ান পঠোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত তেনেকুৱা কিবা হৈছে যদি চোৱাৰ ব্যৱস্থা কৰা হ'ব।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, নগাওঁ জিলাটো দূৰদৰ্শন যন্ত্ৰ প্ৰেৰণ কৰা হৈছে আৰু বিতৰণ কৰা হৈছে। সেইবিলাক নেট ওৱৰ্কৰ ভিতৰত পৰেনে নে নপৰে ? মুখ্যমন্ত্ৰী মহোদয়ে দয়া কৰি যিবিলাক উদ্দেশ্যৰ কাৰণে এই টি, ভি বিলাক বিতৰণ কৰা হৈছে আৰু এই টি, ভি বিলাকৰ দ্বাৰা যাতে নেট ওৱৰ্ক কভাৰ কৰিব পাৰে তাৰ কাৰণে এটা ট্ৰেন্সমিশ্যন চেণ্টাৰ বহুৱাৰ বাবে ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, অসমৰ যিবিলাক অঞ্চল নেট ওৱৰ্কৰ ভিতৰত নপৰে সেইবিলাক অঞ্চলত ব্যৱস্থা লোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো।

**Re : Distribution of lands**

Shri Ardhendu Knmar Dey asked :

*588. Will the Minister, Revenue be pleased to state :

(a) What are the norms for distribution of lands to landless people under Minimum needs programme ?

(b) Whether name in the 1966 voters list is required for a persion to be eligible under this M.N.P. ?

Shri Chandra Arandhara (Minister, Revenue) replied :

(a) Under the M.N.P. Scheme each rural landless agricultural family who have no housesites of their own provided lands for housesites to the extent of land measuring from ½ (half) to 1 (one) Bigha land along with grant assistance of Rs. 2,500/- (Rupees Tow thonsand Five hundred only) per family per site for construction of their houses.

(b) No such instruction has so far been issued by Government on this account.

Dr. Ardhendu Kumar Dey : Mr. Speaker, Sir, whether the Hon'ble Minister is within the knowledge that the actually norms for allotment of land under minimum needs programme is not properly followed by the respective officer and also whether it is within his knowladge that while distribunting land under minimum needs progremme the officers always urge upon voter list of 1966 ? If it is a fact, whether the Hon'ble Minister will make an enquiry about this if it is brought to the notice of the Minister whether he will take action against those responsible officers ?

Shri Chandra Arandhara (Minister) : Sir, if Government

instruction is defied by any of the officers and that is brought to the notice of the Government action will be taken against those officer provided the allegation is provee.

Shri Silvious Condpan : Mr. Speaker, Sir, at the time of allotment of housesites under minimum needs programme, the beneficiaries are made to come to the S.D.O's office times without number. Sir, for convenience of the poor people, will the Government make arrangement for disbursement of the housing grant under minimum needs programme at the local S.D.C. offices by the S.D.Os or by some other officers on his behalf.

Shri Chandra Arandhara, (Minister) : Sir, so far my knowledge is concerned the money is distribute in the office of the S.D.C's. It that is not followed in a particular District then I will look into the matter.

শ্ৰীআব্দুল জলিল ৰাগিবি : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ নীতি অনুসৰি যিবিলাক মানুহক উচ্ছেদ কৰা হয়, সেইসকল মানুহ যদি ভাৰতীয় নাগৰিক হয় তেনেহলে এম, এন, পিৰ যোগেদি তেওঁলোকক পুনৰ সংস্থাপন দিব লাগে। সেইসকলক অগ্ৰাধিকাৰৰ ভিত্তিত মাটি দিয়াৰ কাৰণে চৰকাৰী বিষয়াক নিৰ্দ্দেশ দিবনে ? সেইটো মোৰ প্ৰথম প্ৰশ্ন। দ্বিতীয়টো প্ৰশ্ন হৈছে- অসম চুক্তি অনুসৰি ১৯৬৬ চন আৰু ১৯৭১ চনৰ মাজভাগত যি সকল বিদেশী অসমলৈ আহিছিল সেই সকলক সকলো ধৰণৰ সা-সুবিধা দিয়া হব বুলি কৈছিল। সেই সকলক সা-সুবিধা দিয়া হবনে নহয় ? কেবল ১০ বছৰৰ কাৰণে ভোটাৰ তালিকাৰ পৰা তেওঁলোকৰ নাম কৰ্ত্তন কৰা হব। এম, এন, পিত মাটিৰ ক্ষেত্ৰত ১৯৬৬ চনৰ ভোটাৰ লিষ্টৰ ওপৰত ইনচিষ্ট কৰাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীচন্দ্ৰ আৰন্ধৰা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয় প্ৰথম প্ৰশ্নৰ উত্তৰটো হৈছে ক'ৰবাত যদি জিলাৰ কৰ্ত্তৃপক্ষই উচ্ছেদ কৰিছে সেই উচ্ছেদ কৰাৰ লোক সকলক পুনৰ মাটি দিয়া কথাটো, অগ্ৰাধিকাৰ দিয়াৰ বিষয়টো জিলা কৰ্ত্তৃপক্ষই বিবেচনা কৰিব। কি ভিত্তিত তেওঁলোকক উচ্ছেদ কৰা হৈছে, সেই মতেই

বিবেচনা কৰি ব্যৱস্থা লব। দ্বিতীয় প্ৰশ্নটো হৈছে শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে'ৰ প্ৰশ্নোত্তৰ কালত মই কৈছোৱেই।

## বিষয় : তৎকালীন সাহায্যৰ পৰিমাণ

শ্ৰীনৰেণ তাঁতীয়ে সুধিছে :

* ৫৮৯। মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) জিলা প্ৰশাসন বিসাকক ক্ষতিগ্ৰস্ত ৰাইজক তৎকালীন সাহায্য আগবঢ়াবলৈ বছৰি কিমান টকা দিয়া হয়?

খ) সকলো জিলাকে সমানে দিয়া হয়নে?

গ) যোৱা ১৯৮৭-৮৮ বিত্তীয় বছৰত কোন কোন জিলাক কিমান টকা দিয়া হৈছিল?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত ৰাইজক তৎকালীন সাহায্য আগবঢ়াবলৈ জিলাধিপতি সকললৈ বছৰৰ আৰম্ভনিতে তদৰ্থ ৰূপে দিয়া মঞ্জুৰীৰ উপৰিও জিলা আৰু মহকুমা প্ৰশাসনৰ পৰা প্ৰয়োজনীয় তৎকালীন অৰ্থ সাহায্যৰ দাবীৰ ভিত্তিত টকা দিয়া হয়।

খ) নহয়। দাবী আৰু প্ৰয়োজনৰ চৰকাৰৰ পুঁজিৰ লগত সঙ্গতি ৰাখি দিয়া হয়।

গ) যোৱা ১৯৮৭-৮৮ বিত্তীয় বছৰত জিলা সমূহক তৎকালীন সাহাৰ্য্যৰ বাবে দিয়া টকা তলত দিয়া (ধৰণ) : হল

| | | | |
|---|---|---|---|
| ১। | ডিব্ৰুগড় | : | ৩,০২,৭৬৬/- |
| ২। | লক্ষীমপুৰ | : | ৩৯,৪৪;২৮২,৬৭/- |
| ৩। | শিৱসাগৰ | : | ১৩,৭৪,৬২২'০৫/- |
| ৪। | যোৰহাট | : | ২৩,৪১'০০০/- |
| ৫। | গোলাঘাট | : | ৭,২৫,০০০/- |
| ৬। | নগাওঁ | : | ১৯'৯৩,৫০০/- |
| ৭। | শোণিতপুৰ | : | ৬,০০,০০০/- |
| ৮। | দৰং | . | ৭,৭৭,৪০০/- |
| ৯। | কামৰূপ | : | ৩,০০,০০০/- |
| ১০। | নলবাৰী | : | ৮,৩৭,৭৯০'৫০/- |

| | | |
|---|---|---|
| ১১। বৰপেটা | : | ১৪,০০,০০০/- |
| ১২। ধুবুৰী | : | ১৫,০০,০০০/- |
| ১৩। গোৱালপাৰা | : | ৭,৯০,০০০/- |
| ১৪। কোকৰাঝাৰ | : | ৫০,০০০/- |
| ১৫। কাছাৰ | : | ৫০,০০০/- |
| ১৬ কৰিমগঞ্জ | : | — |
| ১৭। কাৰ্বি আংলং | : | ৩,৬০,০০০/- |
| ১৮। উত্তৰ কাছাৰ | : | ১১,০০০/- |
| | | ১,৬৬,০১,০৬২.২২/- |

শ্ৰীপ্ৰদীপ হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয়, এই যে টকা খিনি আগবঢ়োৱা হৈছে সেই খিনি ক্ষতিগ্ৰস্থ অঞ্চলত বিতৰণ কৰাৰ সদব্যৱহাৰ কৰা হৈছেনে নাই তাৰ কাৰণে চৰকাৰ অৱগতনে? আৰু এতিয়ালৈকে এই টকা খিনি প্ৰকৃততে বিতৰণ কৰা হৈছে নে? এই ক্ষেত্ৰত চৰকাৰ অৱগতনে ?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, টকাখিনি সদব্যৱহাৰ হৈছে বুলিয়েই ভাবিছো। এতিয়ালৈ তেনেকুৱা আপত্তি চৰকাৰৰ দৃষ্টি গোচৰ হোৱা নাই।

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৬ আৰু ২৭ এপ্ৰিল তাৰিখে অসমৰ বিভিন্ন জিলাত ধুমুহা শিলা বৃষ্টি হৈছে বহুতো স্কুল ঘৰ, মানুহৰ ঘৰ দুৱাৰ ধ্বংস হৈছে। (ভইচ ক'ত হৈছে ') বৰপেটা, মঙ্গলদৈ ইত্যাদি বহুতো ঠাইত। সেই অঞ্চল বিলাকক ক্ষতিগ্ৰস্ত অঞ্চলৰ দৰে সাহায্য দিয়া হোৱা নাই। ফলত বহুতো ঠাইত মুকলি পথাৰত, চকত বেঞ্চ পাৰি দি লৰা-ছোৱালীক শিক্ষা দান দিব লগীয়া হৈছে। বহু লোকৰ ঘৰ বাৰী নাই। তেওঁলোকে শিবিৰ পাতি আশ্ৰয় লবলগীয়া হৈছে। এই কথাটো চৰকাৰৰ অৱগতনে? যদি অৱগত কি ব'ৱস্থা হাতত লৈছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণে যিবিলাক অঞ্চলত ক্ষতিগ্ৰস্ত হয় সেইবিলাক চাবৰ কাৰণে প্ৰতিটো মহকুমা আৰু জিলাতে মহকুমাধিপতি আৰু উপায়ুক্তক টকা দিয়া হৈছে। কোনো অঞ্চলত যদি তেনেধৰণৰ সাহায্য দিয়া হোৱা নাই তেনেহলে চৰকাৰৰ দৃষ্টি হোৱা নাই । অলপতে মই চৰাইদেউ মহকুমাত ভ্ৰমণ কৰোতে সেই

ক্ষতিগ্ৰস্ত অঞ্চলত চৰকাৰী বিষয়া যোৱা বা ব্যৱস্থা লোৱা নিজেই দেখি আহিছো। মণ্ডলে ক্ষতিৰ পৰিমাণ কিমান হব সেইটো নিৰ্দ্ধাৰণ কৰি এচ, ডি. চি সকলক দিছে। গতিকে এটা নীতিগত ভাৱে এচ, ডি, চি সকলৰ পৰ্য্যায়ৰ পৰা চৰকাৰৰ ওচৰ পাওঁতে কিছু সময় লয়। গতিকে যিখিনি টকা দিয়া হৈছে সেই খিনি টকাৰে বোধকৰো জোৰা নমৰিব। অসমৰ বিভিন্ন ঠাইত ধুমুহাই ক্ষতি কৰিছে। সেই সম্পৰ্কত মোৰ দাবী মঞ্জুৰীটো এতিয়ালৈ পাচ হোৱা নাই আৰু হলেই টকা দিয়াৰ ব্যৱস্থা কৰিম।

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ লক্ষীমপুৰ বগী নদী পঞ্চায়তত যিবিলাক ঘৰ-দুৱাৰ, বিদ্যালয় ধুমুহাত ধ্বংস হৈছে সেই অঞ্চল বিলাকলৈ চৰকাৰী বিষয়া সকল পৰিদৰ্শন কৰাৰ বাবে এতিয়ালৈকে যোৱা নাই। এচ, ডি, চি; মণ্ডল, কানানগো, ডি. চিকে আদি কৰি কোনো বিষয়া জিলা প্ৰশাসনৰ পৰা গৈ সেই অঞ্চলত পৰিদৰ্শন কৰা নাই আৰু ক্ষতিগ্ৰস্ত পৰিয়ালৰ ঠিকমতে সাহায্য আগবঢ়োৱা নাই। গতিকে মন্ত্ৰী মহোদয়ে এই বিধস্ত লোকক তৎকালীন ভাৱে সাহায্য দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আচলতে বিষয়া হিচাপে আয়ুক্ত আৰু উপ-প্ৰতিসমাহৰ্ত্তাই ক্ষতিগ্ৰস্ত অঞ্চল ভ্ৰমণ কৰাটো নীতিগত কথা। যদি তেখেতসকলে ভ্ৰমণ কৰা নাই সোনকালে ভ্ৰমণ কৰাৰ বাবে নিৰ্দেশ দিয়া হব।

## Re : SUSPECTED FOREIGNERS

Shri Mokbul Hussain asked :

* 590. Will the Minister, Implementation of Assam Accord be pleased to state :

(a) How many notices have been served to the suspected foreigners in Assam till to-day ?

(b) What are the criteria of identifying suspected foreigners ?

(c) Is the Government aware that the notices have been served to suspected foreigners inspite of having all necessary documents in the hand of Government ( i. e. Required votelist, N. R. C. etc ) ?

শ্ৰীজয়নাথ শৰ্মা (অসম চুক্তি ৰূপায়ণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ
(ক) (খ) আৰু (গ) –সন্দেহযুক্ত বিদেশীক আৰক্ষী বিভাগৰ পৰা সচৰাচৰ নটিচ দিয়া নহয়। কিন্তু কোনো কোনো ক্ষেত্ৰত প্ৰমাণ পত্ৰ দাখিল কৰাৰ কাৰণে তেনে লোকক লিখিত নিৰ্দ্দেশ দি সংশ্লিষ্ট আৰক্ষী চকিলৈ মাতি পঠাব পাৰে। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু ১৯৭১ চনৰ বা তাৰ আগৰ নিৰ্বাচক নামাৱলী আদিত নাম নথকা লোকৰ ক্ষেত্ৰতহে সন্দেহযুক্ত বিদেশী বুলি প্ৰাথমিক অনুসন্ধান আৰম্ভ কৰা হয়। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু প্ৰয়োজনীয় নিৰ্বাচক নামাৱলীত নাম থকা বুলিও তেনেলোকৰ ওপৰত নটিচ জাৰি কৰা অভিযোগ চৰকাৰে পালে তৎকালীন ভাবে পৰীক্ষা কৰা হয়।

শ্ৰীমকবুল হোছেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, কিমানখন 'নটিশ' দিয়া হৈছে আৰক্ষী বিভাগৰ ফালৰ পৰা ? সচৰাচৰ ক'ৰ পৰা নটিশ' দিয়া হয় আৰু এই 'নটিশ' বিলাক কিহৰ ভিত্তিত দিয়া হয় ? মাননীয় অধ্যক্ষ মহোদয়, যি সকলক 'নটিশ' দিয়া হৈছে সেই সকলৰ নাম ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু ভোটাৰ তালিকাত থকা স্বত্তেও তেখেতসকলৰ বিৰুদ্ধে নটিশ দিয়া হৈছে। এই সন্দৰ্ভত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, এনেকুৱা অভিযোগ পালে চৰকাৰে তত্‌কালীন ভাবে পৰীক্ষা কৰি চাব। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু ভোটাৰ তালিকাত নাম থকা সকলো তথ্যপাতি চৰকাৰৰ হাতত থকা স্বত্বেও যি সকলে এই নটিশ দিলে সেই সকলক আইন মতে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীজয়নাথ শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰক্ষী বিভাগৰ ফালৰ পৰা কোনো লোকক—সন্দেহযুক্ত বিদেশী নাগৰিক বুলি 'নটিশ' দিয়াৰ নিয়ম নাই যদিও সন্দেহ হলে তাৰ বিচাৰৰ কাৰণে 'ট্ৰিবিউনেললৈ' পঠিয়ায়। 'ট্ৰিবিউনেলে' হে সংখ্যা লঘু লোক সকলক 'নটিশ' দিয়ে যদি বিদেশী নাগৰিক বুলি সন্দেহ কৰে। 'ট্ৰিবিউনেলে নটিশ' দিয়াৰ বিষয়টো ৰাজনৈতিক বিভাগৰ লগত জড়িত। গতিকে এই প্ৰশ্নটো ৰাজনৈতিক বিভাগক কৰিব লাগিব। ৰাষ্ট্ৰিয় নাগৰিক পঞ্জী আৰু ভোটাৰ তালিকাত যিসকলৰ নাম আছে সেই সকলৰ বিৰুদ্ধে কোনো বিচাৰ 'ইনিচিয়েট' কৰা নহয়। কিন্তু তেনেলোকৰ বিৰুদ্ধে যদি গোচৰ তৰিছে তেনেহলে, সেইটো দৃষ্টি গোচৰ কৰিলে গোচৰ উঠাই লোৱাৰ ব্যৱস্থা কৰিব পৰা যাব।

বিষয় : সংখ্যালঘুৰ উন্নয়নৰ কাৰণে টকা নঞ্জুৰ।

শ্ৰীময়িত্নল ইছলাম বৰাই সুধিছে :

*৫৯১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৮-৮৯ চনত অসমৰ সংখ্যালঘু সকলৰ উন্নয়নৰ বাবে অসম সংখ্যালঘু উন্নয়ন বৰ্ডৰ নামত কিমান টকা দিয়া হৈছে জনাবনে ?

(খ যদি দিয়া হৈছে উক্ত টকাখিনি অসমৰ সংখ্যালঘু সকলৰ জনমুৰি হিচাপত কিমানকৈ ধাৰ্য্য হৈছে ইয়াৰ পৰিসংখ্যা জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৮৮-৮৯ চনৰ বাজেটত অসম সংখ্যালঘু উন্নয়ন বৰ্ডৰ নামত সৰ্ব্বমুঠ ১২,৭৪ লাখ টকা ধাৰ্য্য কৰা হৈছিল। তাৰ ভিতৰত সাহায্য মঞ্জুৰীৰ বাবদ ৭,১০ লাখ টকা ধৰা হৈছিল।

(খ সাহাৰ্য্য মঞ্জুৰীৰ টকা জনমুৰি হিচাবত ধাৰ্য্য কৰা নহয়।

শ্ৰীময়িত্নল ইছলাম বৰা : মাননীয় অধ্যক্ষ মহোদয়, অসম সংখ্যালঘু উন্নয়ন বোৰ্ডৰ নামত যি টকাধাৰ্য্য কৰা হৈছে সেই টকা যথেষ্ট নহয়। তাৰোপৰি, এই বৰ্ডখন প্ৰধানমন্ত্ৰীৰ ১৫ দফীয়া আঁচনিৰ ভিতৰত পৰে। গতিকে সেই ফালৰ পৰা মুখ্যমন্ত্ৰী মহোদয়ে ভাৰত চৰকাৰৰ পৰা এই বৰ্ডলৈ কিছু টকা আনিব পাৰিলেহেঁতেন। গতিকে এই বিষয়ে কিবা ব্যৱস্থা কৰা হৈছে নেকি জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বৰ্ডৰ কাৰণে এতিয়ালৈকে কোন ৰাজ্যক কিমান টকা দিয়া হৈছে সেইটো মোৰ জ্ঞাত নহয়। হলেও এই সম্পৰ্কে বৰ্ডৰ চেয়াৰমেনক যোগাযোগ কৰিবলৈ কোৱা হৈছে।

Starred question Nos. 592 and 593 were not called for however written replies deemed to have been laid on the table as follows :

বিষয় : আবৰ্ত্ত ভৰনৰ আচবাৰ।

শ্ৰীইউছুফ আলী আহমেদে সুধিছে :

* ৫৯২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধুবুৰী জিলাৰ উপায়ুক্ত মহোদয়ে ধুবুৰীত থকা আবৰ্ত্ত ভৱনৰ আচবাবপত্ৰবোৰ কোচবিহাৰৰ পৰা কিনা কথাটো সচানে ?

(খ) যদি সঁচা, তেনেহলে কি কি আচবাবপত্ৰ তাৰ পৰা কিনা হৈছে ?

(গ) সেই আচবাব (ফাৰ্নিচাৰ) পত্ৰবোৰ আমাৰ স্থানীয় জিলাত বা অসমত পোৱা যায় নে ?

(ঘ) যদি পোৱা যায় তেন্তে স্থানীয় ভাবে নলৈ তাৰ পৰা অনাৰ কাৰণ কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) কাঠৰ পালেং, পালেংৰ কাষত ৰখা টেবুল, ড্ৰেচিং টেবুল, কোঠাৰ মাজত ৰখা টেবুল, পাৰ্শ টেবুল আৰু চোফা চকি।

(গ) পোৱা যায়।

(ঘ) কোচবিহাৰৰ পৰা অনা উক্ত আচবাববোৰৰ দাম স্থানীয় ফামৰ দামত কৈ কম।

## বিষয় ঃ লোক আদালত।

শ্ৰীনৰেন তাঁতীয়ে সুধিছে ঃ

* ৫৯৩। মাননীয় আইন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ আৰু ক'ত ক'ত লোক আদালত বহুৱাৰ প্ৰস্তাৱ লৈছে ?

(খ) যোৰহাট জিলাৰ মৰিয়নী সমষ্টিত এখন লোক আদালত বহুৱাৰ ব্যৱস্থা কৰিবনে ?

(গ) যদি বহুৱাৰ ব্যৱস্থা লয় কেতিয়া ল'ব ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) লোক আদালত জিলাৰ উপায়ুক্ত, জিলা জজ আৰু মুখ্য দণ্ডাধীশৰ লগত আলোচনা কৰি অনুস্থিত কৰা হয়। তেনে আলোচনাৰ মাজেৰেহে ঠাই নিৰ্দ্ধাৰণ কৰা হয়।

(খ) মৰিয়নী যদি সুবিধাজনক ঠাই বুলি জিলা কৰ্তৃপক্ষই গণ্য কৰে তেনেহলে তাত লোক আদালত অনুস্থিত কৰাত চৰকাৰৰ কোনো আপত্তি নাই।

(গ) যথা সময়ত বিবেচনা কৰিব পৰা যাব।

## UNSTARRED QUESTION

### Re ; Slum areas Development Schema

Shri A. F. Golam Osmani asked :

973. Will the Minister, Municipal Administration be pleased to state :

Name of Towns in the state which were selected for Slum Area Development Scheme and allocation made to them respectively between 1986-87 to 1988-89 ?

(Please quote figure yearwise)

Shri Sahidul Alam Choudhury (Minister, Municipal Administration) replied :

At present (1) Guwahati (2) Palasbari (3) North Guwahati and [4] Rangia Town in the District of Kamrup have been selected for Slum Area Development Schemes. The allocation made to the above towns during 1986-87 to 1988-89 are as follows :

| Name of Towns | 1986-87 | 1987 88 | 1988-89 | Total |
|---|---|---|---|---|
| Guwahati | Nil | 72,000 | 3,83,800 | 4,55,800 |
| Rangia | Nil | 1,12,000 | 2,08,100 | 3,20,100 |
| Palasbari | Nil | 52,000 | 77,700 | 1,29,700 |
| North Guwahati | Nil | 95.000 | 80,400 | 1,75,400 |
| | | 3,31,000 | 7,50,000 | 10,81,000 |

### বিষয় ঃ কমলাবাৰী।

শ্ৰীদিলেশ্বৰ তাঁতীয়ে সুধিছে ঃ

৯৭৪। মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া মহকুমাত কিমানখন কমলা বাৰী আছে ?

(খ) উক্ত কমলা বাৰীৰ মালিকসকলৰ নাম আৰু মাটিৰ পৰিমাণ কিমান ?

(গ) ১৯৮৮ আৰু ১৯৮৯—এই দুই বছৰত এই কমলাবাৰীৰ মালিকসকলে কি পৰিমাণৰ কমলা ও আৰ্থিক লাভালাভ অৰ্জন কৰিছে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) তিনিচুকীয়া মহকুমাত সৰ্ব্বমুঠ ৮৪৪ খন কমলা বাৰী আছে ।

ৰাজহ চক্ৰ হিচাবে কমলা বাৰীৰ সংখ্যা তলত দেখুওৱা হ'ল —

(১) তিনিচুকীয়া চক্ৰ — ৬১ খন

(২) ডুমডুমা চক্ৰ — ৬৫২ খন

(৩) মাৰ্ঘেৰিটা চক্ৰ — ১৩১ খন

৮৪৪ খন

(খ) উক্ত কমলা বাৰীৰ মাটিৰ পৰিমাণ তলত দেখুওৱা হ'ল—

(১) তিনচুকীয়া চক্ৰত ৬১ খন কমলা বাৰীৰ অধীনত মুঠ ৫৩৷ বিঘা ২ কঠা ১১ লেচা মাটি আছে । এই মাটি পট্টাভূক্ত ।

(২) ডুমডুমা চক্ৰত ৬৫২ খন কমলা বাৰীৰ অধীনত মুঠ ৭০৮৯বিঘা ৪ লেচা মাটি আছে । এই মাটিৰ ভিতৰত ১৯৮ খন কমলা বাৰীৰ অধীনত থকা ২৮৯৫ বিঘা ১ কঠা ৪ লেচা পট্টাভূক্ত মাটি আৰু বাকী ৪৫৪ খন কমলা বাৰীৰ অধীনত থকা ৪১৯৩ বিঘা ৩ কঠা মাটি চৰকাৰী মাটি ।

(৩) মাৰ্ঘেৰিটা চক্ৰত ১৩১ খন কমলা বাৰীৰ অধীনত ১৩৩২ বিঘা ৪ কথা ১৬ লেচা মাটি আছে। এই মাটি চৰকাৰী মাটি। মহকুমাটোত থকা মুঠ ৮৪৪ খন কমলা বাৰীৰ অধীনত মুঠতে ৮৯৫ বিঘা ৩ কঠা ১১ লেচা মাটি আছে । উক্ত কমলা বাৰীবিলাকৰ মালিকৰ নাম আৰু মাটিৰ পৰিমাণ তালিকা সংগ্ৰহ কৰি থকা হৈছে। চলিত অধিবেশনতে উক্ত তালিকা সদনৰ মেজত দাখিল কৰিব পৰা হব ।

(গ) উক্ত কমলা বাৰীবিলাকৰ পৰা ১৯৮৮ আৰু ১৯৮৯ চনত মালিকসকলে কিমান পৰিমাণৰ কমলা অৰ্জন কৰিছে আৰু মালিকসকলৰ আৰ্থিক লাভালাভ কি হৈছে সেই সম্পৰ্কে চৰকাৰৰ হাতত তথ্য নাই ।

**Re : Contribution to Assam State Wakf Board.**

Shri A. F. Golam Osmani asked :

*759 Will the Minister of Wakf Properties be pleased to state : What is the State Government. Eontribution towards Assam State Wakf Board for its upkeep and maintenance from 1980-81 to 1988-89 ?

( Please state yearwise contribution ).

SHRI SHAHIDUL ALAM CHOUDHURY (Minister-Incharge Wakf) replied :

The yearwise contributions sanctioned as Grant-in-aid to the Assam Board of Wakf by the State Government from 1980-81 to 1988-89 are as shown below :—

| | |
|---|---|
| 1980-81 | Rs. 10,000 (Rupees ten thousand) only. |
| 1881-82 | Rs. 10,000 (Rupees ten thousand) only. |
| 1982-83 | Rs. 10,000 (Rupees ten thonsand) only. |
| 1983-84 | Rs. 10,000 (Rupees ten thousand only. |
| 1984-85 | Rs. 10,000 (Rupees ten thousand) only. |
| | Rs. 15,500 (Rupees fifteen thousand five hundred) (to tide over the financial crisis of the Board during that year). |
| 1985-86 | Rs. 15,000 (Rupees fifteen thousand) only. |
| 1986-87 | Rs. 20,000 (Rupees twenty thousand) only. |
| 1987- 8 | Rs. 20,000 (Rupees twenty thousand) only. |
| 1988-89 | Rs. 20,000 (Rupees twenty thousand) only. |

**Re : Number of flood affected people.**

Shri Golam Osmani, asked,

* 976 Will the Minister, Revenue be pleased to state :

a) The number of people affected by flood in 1987-88 and 1988-89.

(Please quote figure district-wise);

b) The amount spent on relief in the years under reference on account of :

i) Gratuitous Relief, (ii) Loan, (iii) Rehabilitation and iv) Other Assistance ?

Shri Chandra Arandhara (Minister Revenue) replied :

a) 104·50 lakhs people have been affected by 1987 flood and 126.773 lakhs in 1988 flood (District-wise figures for 1987 and 1988 are enclosed) (See Annexer—II)

b) The amount spent on relief during 1987 and 1988 flood are furnished below:

| | Amount spent as on 31-3-87 (Rs. in lakhs) | Amount spent as on 31-3-89 (Rs. in lakhs |
|---|---|---|
| i) Gratuitous Relief | 724.93 | 1635.319 |
| ii) Loan | Nil | Nil |
| iii) Rehabilitation Grant | 955.00 | 722.938 |
| iv) Other Assistance | 4581.36 | 5656.340 |
| | 6261:29 | 8014.597 |

**Re : Amount sanctioned by the Government of India.**

Shri Golam Osmani asked :

977. Will the Minister, Revenue be pleased to state :

(a) The amount of money sanctioned by the Government of India towards relief operation during the flood of 1988-89 and sum received as on 31-3-89 ?

(b) The amount of money came from State fund for the above purpose,

(c) How the money sanctioned for 1988-89 flood was apportioned ?

(Please duote Department-wise apportionment).

Shri Chandra Arandhara (Minister, Revenue) replied :

(a) The ceiling of expenditure fixed by Government of India for sanction for relief and rehabilitation etc. during the flood 1988-89 was Rs 8536·45 lakhs and

Rs. 5443·315 lakhs has been received by the State Government as on 31-3-89.

(b) Rs. 2355·81 lakhs.

(c) Relief fund has been alloted to Deputy Commissioners/Sub-Divisional Officers and different Departments as per ceiling of expenditure fixed by Government of India. (Statement showing the allotment of fund to various Departments/Deputy Commissioners/Sub-Divisional Officers is enclosed herewith).

(See Annexure III)

VOTING ON DEMANDS FOR GRANTS

Mr Speaker : Now item No. 2-voting on Demands for Grants. Mr. Abdul Muqtadir Choudhury will speak. He is absent. (Shri Abdul Rob Laskar stood up to speak.) Yes, you may speak.

Shri Abdul Rob Laskar : Mr. Speaker, Sir, I would like to support the cut motion on the grant for Department of Power moved from this side of the House. Sir, while supporting the cut motion I would like to make some observation on the working of this Department. First of all Sir, I like to thank the Hon'ble Chief Minister for alloting this Department of Power i.e. Electricity to a young, new and energetic Minister Shri Hazarika Sir, I have a good impression upon the Hon'ble Minister, Power and I hope that he will do something good and bring a change in the department's functioning which is the main demand of the people of the State as a whole. It is my thinking that there is a good intention of the Minister though there are so many lapses of the department itself and it may

not be functioning up to the expectation. Now Sir, it is a very serious problem not only of one or two places, but this problem exists throughout the whole State. Sir, I myself roamed in my Constituency from village to village and I came across such problem in each and every village. In some villages no work has been started, in some villages works though started long back have been left without completing and as a result people are not getting power. So sir, I took up the matter with the departmental officers working in the district of Cachar. I found that though the officers are active, they are helpless and unable to help the people by solving their problem who are making demands for power to those officers. Sir, on my thorough discussion with the officers I found that probably there is a tussle going on between the ASEB and the Government and at the same time with the pole manufacturing firms who are in existence parts of the State. Sir, as I know and as I was reported by the officers just to give an explanation about their helplessness, about a year back there was a system of giving subsidised cement and M.S. rods to the manufacturing firms who manufacture poles according to which they were paid the money after deducting the cost of cement and M.S. rods.

But, Sir, about a year back the policy of supplying cement and M.S. rods to the manufacturing firms has been changed and as a result of that the manufacture of poles by the firms has been stopped. Moreover, huge arrears have not yet been paid to the manufacturing firms. Actually, Sir, because of this policy and non-payment of

huge arrears by the A.S.E.B. the manufacturing firms have totally stopped the manufacturing of poles since last year. As a result of that there is no work in the rural areas. If this thing continues then there will be no electrification in the rural areas at all in years to come. Sir, as a Member of the Legislative Assembly, I have tried my best to maintain a good relation with the officials of the A.S.E.B. I have been constantly requesting them for necessary electrification in scheduled castes villages of my Sonai Constitueney in Cachar District. But I have failed. On my further query I have come to know that this is not only the problem of our District but it is the same problem everywere throughout the State. I hope other Hon'ble Members who are also experiencing the similar problems will raise the issue before the August House equally. I have also given Assambly Questions in this connection. But unfortunately, sir, the answer which I got is quite contradictory from the facts that are stated to me by the officers in the District. It is with this end in view, I have given notice under Rule 49 of the Rules of Procedure and Conduct of Business of Assam Legislative Assemebly for half an hour discussion. But, sir, so far as I understand the notice has not been admitted as yet. This is a serious matter and deserves proper discussion in the House in order to remove apprehension from the minds of the people. Sir, in this connection I would like to draw the attention of the Hon'ble Minister, Power, through you Mr. Chairman and to request him to

*শ্ৰীপদ্মনাথ কৈৰী : মাননীয় সভাপতি মহোদয়, অসমৰ বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে যিখিনি টকা বিচাৰিছে সেই মঞ্জুৰীৰ প্ৰতি মই সমৰ্থন জনাইছো আৰু দুই এষাৰ কথা কবলৈ ওলাইছো। বিদ্যুৎ বিভাগ এনে এটা বিভাগ, যি বিভাগক বাদ দি অকল অসমতেই নহয়, মোৰ বিশ্বাস মানৱ জাতিৰ কোনো ধৰণৰ উন্নতি কৰিব নোৱাৰে। এই বিদ্যুৎ বিভাগক আমি আজি বিধান সভাত এইখিনি টকা মঞ্জুৰী দিম। মঞ্জুৰী দিম এই কাৰণেই যে, এই বিভাগটো তেখেতৰ ফালৰ পৰাই চলাই লৈ যোৱাত সুবিধা হয়। মই প্ৰথমতেই ধন্যবাদ দিছো এইবাৰ বিদ্যুৎ বিভাগৰ দায়িত্ব লোৱা মাননীয় মন্ত্ৰী হাজৰিকা দেৱক আৰু চেয়াৰমেন মহোদয়ক। এই দুইজনেই আমাৰ মনঃপুত। আশা কৰো যেন এই ব্যক্তি দুজনাই আমাৰ টকাখিনিৰ সদ্‌ব্যৱহাৰ কৰে আৰু অসমত বিদ্যুতৰ যি অভাৱ আৰু বৈষম্য আছে সেইটো দূৰ কৰিব। মই বিদ্যুৎ বিভাগত দেখা পোৱা কেইটামান অসুবিধাৰ কথা উনুকিয়াই দিব বিচাৰিছো। আৰু ভৱিষ্যত যাতে এনে ধৰণৰ কথাবিলাকৰ প্ৰতি দৃষ্টিগোচৰ কৰে। এই বিভাগৰ যোগেদি অসমৰ জনসাধাৰণক বিভিন্ন দিশত পোহৰলৈ অনাৰ বাবে যি গ্ৰাম্য বৈদ্যুতিকৰণৰ ব্যৱস্থা লোৱা হৈছে. সেই উদ্দেশ্য বোধকৰো সফল হোৱা নাই। কোৱাম নাই।

সভাপতি মহোদয় দুখীয়া ৰাইজে ঘৰত ব্যৱহাৰ কৰাৰ কাৰণে বা সকলুৱা কিছুমান তেনেধৰণৰ ব্যৱস্থাৰ বাবে বহুতো কষ্ট কৰি বিদুৎ বিভাগৰ পৰা বৈদ্যুতিকৰণ কৰি লৈছে। কিন্তু দেখা গৈছে যে, বৈদ্যুতিকৰণ কৰা স্বত্তেও যি আচল উদ্দেশ্য আছিল সেইটো পূৰণ হোৱা নাই। তেওঁলোকৰ লাইট আজি নজলে। গতিকে গ্ৰাম্য বৈদ্যুতিকৰণ কৰি গাওঁ অঞ্চলত যিবিলাকত বিদ্যুৎ দিয়া হৈছে তাৰ বাবে আজি গুৰুত্ব সহকাৰে চিন্তা কৰিব লাগে। আকৌ অসমত প্ৰায় ৮০০ ৰ ওচৰা-ওচৰি চাহ বাগিছা আছে যি বিলাকত বাধ্যতামূলকভাৱে বিদ্যুৎ লোৱাৰ বাবে ব্যৱস্থা কৰা হৈছে। কিন্তু বিদ্যুৎ বিভাগে জানেনে যে, চিজিনৰ সময়ত চাহ বাগিছাবিলাকত ২৪ ঘণ্টা জুৰি বিদ্যুতৰ প্ৰয়োজন হয়? অথচ আজি বিদ্যুৎ বিভাগে ৬ ঘণ্টাও বিদ্যুতৰ

*Speech not corrected

যোগান ধৰিব পৰা নাই । কিয়? যদি বিদ্যুৎ যোগান ধৰিব নোৱাৰে তেনেহলে লোৱাৰ বাবে বাধ্যতামূলক কৰিছে কিয়? আগতে কিছুমান চাহ বাগিছাত জেনেৰেটৰ দি কাম চলোৱা হৈছিল । এতিয়া জেনেৰেটৰ বিক্ৰী কৰি দিয়া হ'ল আৰু বিদ্যুতৰ অভাৱত লাখ লাখ টকাৰ চাহপাত বিনষ্ট হোৱাৰ বাবে অসমৰ বহুতো ক্ষতি হৈছে । গতিকে ইয়াৰ প্ৰতি দৃষ্টিগোচৰ কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে ।

সভাপতি মহোদয়, মই দ্বিতীয়তে কব বিচাৰো যে, বিদ্যুৎ বিভাগৰ কোনো দিনে লাভ নহয় । অসমত তিনিটা বিভাগ আছে, পৰিবহন বিদ্যুৎ বিভাগ আৰু অসম চাহ নিগম । চেয়াৰমেনৰ দায়িত্বত থকা মানুহবিলাক জ্ঞানী আৰু সৎ দেখা যায় । গতিকে নাজানো কিয় তেওঁলোকে বুজি নাপায় । এইটো চিন্তাৰ বিষয় হৈ পৰিছে । গোটেই ক্ষমতাখিনি তেওঁলোকৰ হাতত থকাৰ পিচত চৰকাৰী নীতি মতে কাম কৰিলে মোৰ বিশ্বাস লোকচানৰ কথা আহিবই নোৱাৰে । আজি অসমত কোটি কোটি টকা খৰচ কৰা হৈছে । গতিকে চিন্তা কৰি কামবিলাক কৰিব লাগে কিছুমান গাওঁ অঞ্চলত আজি বৈদ্যুতিকৰণ কৰা হৈছে, কিন্তু তাত আজিও ট্ৰেন্সফৰ্মাৰ বহুৱা নাই । আৰু আজি বিদ্যুৎ বিভাগে নিজেই নাজানে ট্ৰেন্সফমাৰ ক'ত ক'ত বহুৱাইছে । উদাহৰণ স্বৰূপে মোৰ বিশ্বনাথ সমষ্টিত ১ নং চতিয়া অঞ্চলৰ মাগুৰমৰাত এটা ট্ৰেন্সফৰমাৰ বহুৱাইছে কিন্তু চলা নাই । সিদিনা মই নিজে গৈ কোৱাৰ পিচত বোধকৰো এতিয়া মেৰামতি কৰিব । বৈদ্যুতিকৰণ বিজ্ঞানসন্মত ব্যৱস্থাৰে কৰিব লাগে, কিন্তু কামৰ সময়ত এইটো তেওঁলোকে চিন্তা নকৰে । মোৰ তাত এটা ওৱেলফেয়াৰ চেণ্টাৰ আছে য'ত ২৪ ঘণ্টাই বিদ্যুৎ ব্যৱহাৰ কৰিব লাগে । সেইটোৰ বাবে টকা ব'ৰ্ডৰ ফালৰ পৰা দিয়া হয় । কিন্তু তাৰ পৰা ১ ফাৰ্লং দূৰত বলোডোভা গাওঁত তিনিঘৰ মানুহে বিদ্যুৎ লৈছে । কিন্তু ওৱেলফেয়াৰ চেণ্টাৰত বিদ্যুৎ হোৱা নাই । উক্ত চেণ্টাৰত বিদ্যুৎ দিয়াৰ বাবে বাৰে বাৰে এচ, ডি, অ' আৰু ইঞ্জিনীয়াৰক কোৱা হৈছে । তেওঁলোকে কয় যে, শোণিতপুৰত ট্ৰেন্সফৰমাৰ নাই বাবে উত্তৰ লক্ষীমপুৰৰ পৰা আনিব লাগিব । আজি ৫/৬ বছৰে ট্ৰেন্সফৰমাৰ আনিব পৰা নাই । আজি বিদ্যুৎ বিভাগত লাখ লাখ মানুহে চাকৰি কৰিছে । কিন্তু এখন গাওঁত এক কিলোমিটাৰ লম্বা ঠাইতে আজি বৈদ্যুতিকৰণ কৰিব পৰা নাই । একেধৰণেই চাহ বাগিছাৰ মানুহবিলাকেও

বাৰে-বাৰে কৈছে যে, তেওঁলোকেও বিদ্যুৎ লব । কাৰণ এটা বাল্বৰ দাম ২ টকা। গতিকে তেওঁলোকে লব। গতিকে বিজ্ঞানসম্মতভাৱে বিদ্যুৎ বিভাগে কামবিলাক কৰাৰ কামনা কৰিলো । তৃতীয়তে বিদ্যুৎ বিভাগৰ যথেষ্ট আয় হোৱাতো পৰিলক্ষিত হৈছে । কিন্তু এই বিভাগৰ কৰ্মচাৰী সকলৰ হেমাহীৰ বাবে সাধাৰণ দুখীয়া মানুহৰ গৰু, ছাগলী আদিৰ মৃত্যু হৈছে । কথাবিলাক প্ৰকাশ নাপায় । নিয়মবিলাক ইমান বেয়া যে ডাক্তৰৰ পৰা চাৰ্টিফিকেট আনিব লাগে । মোৰ তাতে বীৰসিং ভূমিজ নামৰ এজন লোকৰ চাৰ্টিফিকেট ডাক্তৰৰ পৰা আনি দিয়াৰ পিচতো আজিলৈকে ক্ষতিপূৰণ পোৱা নাই । মই নিজেও চেয়াৰমেনক কৈছিলো কিন্তু কোনো ফল নধৰিল । গতিকে এনে ধৰণৰ ঘটনাৰ প্ৰতি দৃষ্টি দিব লাগে । এই বিভাগৰ আন আন বিভাগৰ সামঞ্জস্য আছেনেকি সেইটোও চাব লাগে । আজি সামাজিক বনানীকৰণৰ ক্ষেত্ৰতো কেটি কোটি টকা খৰচ কৰা হৈছে। গছ ডাঙৰ হোৱাৰ পিছত বিদ্যুৎ বিভাগে বৈদ্যুতিকৰণৰ বাবে সেই গছ কাটি পেলাইছে । গতিকে দুয়োটা বিভাগৰ মাজত বুজাবুজি ৰাখি কাম কৰিব লাগে । আশাকৰো নিষ্ঠাৰে সেতে দায়িত্ব পালন কৰিলে এই বিভাগটো নিশ্চয় কৃতকাৰ্য হব। লাগিব মাত্ৰ দায়িত্ব পালনৰ নিষ্ঠা আৰু ধৈৰ্য্য । ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো ।

Mr. Speaker : Now Mr. Bharat Chandra Narah:

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় সভাপতি মহোদয়, মাননীয় বিদ্যুৎ মন্ত্ৰী মহোদয়ে যিখিনি ১৯৮৯ ৯০ চনৰ কাৰণে বিদ্যুৎ মঞ্জুৰী বিচাৰিছে তাক সমৰ্থন কৰিছো আৰু বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱটো বিৰোধীতা কৰিছো ।

মাননীয় সভাপতি মহোদয়, আজি কিছু দিনৰ পৰা বাতৰি কাকতত কিছুমান বাতৰি ওলাইছে। এই বাতৰি বিলাকত লিখিছে যে অসম বিধান সভাত শাসকীয় সদস্য সকলে বিৰোধী পক্ষৰ ভূমিকা লোৱা দেখিবলৈ পোৱা গৈছে। এই সংসদত, ইতিসাহত আগতে কেতিয়াও হোৱা নাই। নিজৰ শাসক দলে নিজৰ চৰকাৰক সমালোচনা কৰাৰ পৰা বিৰত থাকে। কিন্তু গণ পৰিষদৰ সদস্য সকলে নিজৰ মন্ত্ৰী সকলক সমালোচনা কৰিবলৈ বাধ্য হৈছে। আমি জানো যে এনে ধৰণৰ কনভেনচন নাই । নিজৰ চৰকাৰক নিৰাপত্তাহে দিব লাগে। কিন্তু যোৱা চাৰে তিনি বছৰে আমাৰ চৰকাৰে শাসক দলৰ বিধায়ক সকলক বাধ্য কৰিছে নিজৰ চৰকাৰক সমালোচনা কৰিবলৈ। মই

এটা উদাহৰণ দিব খুজিছো। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে লক্ষিমপুৰ জিলাক কোনো গুৰুত্ব দিয়া নাই। গুৰুত্ব নিদি তাৰ সলনি লক্ষিমপুৰ জিলাক ৰাজ্যিক বিদ্যুৎ পৰিষদে অৱহেলা কৰিছে প্ৰবঞ্চনা কৰিছে। আৰু লক্ষিমপুৰ জিলাৰ প্ৰতি ৰাজ্যিক বিদ্যুৎ পৰিষদৰ মুৰব্বী বিষয়া সকলে কৰ্মচাৰী সকলৰ কোনো আন্তৰিকতা দেখুওৱা নাই। লক্ষিমপুৰ জিলাখনৰ প্ৰতি ৰাজ্যিক বিদ্যুৎ পৰিষদ একেবাৰে নিষ্ক্ৰীয়, স্থবিৰ, আৰু অস্থিৰ। (ভইচ দুৰ্ভাগ্যজন কথা) এইটো সঁচাই দুৰ্ভাগ্যজনক কথা। আমি ৯৮৫ চনৰ ২৪ ডিচেম্বৰত ক্ষমতালৈ আহিছো। ১৯৮৫ চনৰ ২৪ ডিচেম্বৰৰ আগতে লক্ষিমপুৰ জিলাৰ বিদ্যুৎকৰণৰ যি অৱস্থা আছিল, যি পৰিস্থিতি আছিল এতিয়াও একেধৰনেই আছে। তাৰ অলপো পৰিবৰ্ত্তন হোৱা নাই। সি একেদৰেই নিষ্ক্ৰীয় স্থবিৰ আৰু অস্থিৰ হৈ আছে এইটো অসত্য হব নোৱাৰে? লক্ষিমপুৰ জিলাৰ ৰাজ্যিক বিদ্যুৎ পৰিষদৰ এটা উদাহৰণ দিব খুজিছো। এই বিধান সভাৰ কালতে মই এটা প্ৰশ্ন কৰিছিলো তৰা চিহ্নিত প্ৰশ্ন নং ৯৬২৩ তাৰিখ ১২।৫।৮৯ প্ৰশ্ন আছিল লক্ষিমপুৰ জিলাত সংমণ্ডলৰ কাৰ্য্যালয় কিমান আছে? উত্তৰত কলে লক্ষিমপুৰ জিলা সংমণ্ডল এটা আছে। সেইটো ভুল উত্তৰ মন্ত্ৰী মহোদয়ক দিবলৈ বাধ্য কৰালে। প্ৰকৃততে তাত দুটা সংমণ্ডল আছে। এটা ধেমাজি আৰু আনটো হৈছে চিলাপথাৰত। উত্তৰত অকল চিলাপথাৰত থকাটোহে কৈছিল। কিন্তু ধেমাজিটো হৈছে পুৰণা আৰু চিলাপথাৰৰটো নতুন। আজি ৰাজ্যিক বিদ্যুৎ পৰিষদৰ মুৰব্বীসকলে লক্ষিমপুৰ জিলাত কেইটা সংমণ্ডল আছে তাক নেজানে। অসম বিধান সভাত এই উত্তৰ দিছে তৰা বিহিন ৯২২ ত ১২।৫।৮৯ তাৰিখে। এখন জিলাত কেইটা সংমণ্ডল আছে সেইটো অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ মুৰব্বীসকলে নেজানে, নজনা নহয় অসম বিধান সভাক বিপথে পৰিচালিত কৰিছে। আৰু তৰা বিহিন ৮৬২ ত ৫।৫।৮৯ তাৰিখত যিবিলাক গাহৰ সংখ্যা দিছে সেইবিলাকো সত্য নহয়। আৰু এটা উদাহৰণ মই দিব বিচাৰিছো। ইং ১৫।৩।৮৩ ধেমাজিৰ পৰা ঘিলামাৰালৈ ৬৬ কে, ভি, ট্ৰেন্সমিচন লাইনটো দিয়াৰ বন্দোবস্তী দিছিল। ধেমাজিৰ পৰা ঘিলামৰালৈ এ বি চি ১০৫ টাৱাৰ নিৰ্মাণ কৰাৰ নিৰ্দেশ দিছিল। কিন্তু এতিয়ালৈকে এই সংক্ৰান্তত জৰিপ কৰা হোৱা নাই। চুক্তি মতে ৰাজ্যিক বিদ্যুৎ পৰিষদে ৬৬ কে বি ট্ৰেন্সমিচনৰ বাবে ২৯৩ ১২৬ মেট্ৰিকটন ভিন্ ভিন্ জোখাৰে লোহা দিব লাগিছিল।

কিন্তু শিবস্বচ ষ্টীকচাৰেলক এতিয়ালৈকে ১৯৮৩ চনৰ পৰা বিদ্যুৎ পৰিষদে মাত্র ৬৮ মেট্রিকটনহে লোহা দিছে এই লাইনটো কৰিবৰ কাৰণে। শিৱস্বচ মালিকক লগ ধৰাত কৈছে ৰাজ্যিক বিদ্যুৎ পৰিষদে লোহা আৰু চিমেণ্ট দিবৰ কাৰণে মই ১৮ খন চিঠি দিছো। ১৮ খন চিঠিৰ বিনিময়ত ৬৮ মেট্রিক-টন লোহা পাইছো। ধেমাজিৰ পৰা ঘিলামাৰালৈ মাত্র ৪০ কিলোমিটাৰ ৰাস্তাঃ ৬৬ কেবি ১০৫ টা টাৱাৰ দিবৰ কাৰণে কিমান সময় লাগে? আজি ৬ বছৰ হল। আজি লক্ষিমপুৰ জিলাক কেনেদৰে অৱহেলা কৰিছে প্ৰবঞ্চনা কৰিছে সেইয়াই তাৰ জলন্ত প্ৰমাণ। আৰু এটা মই প্ৰমাণ দিব খুজিছো যে কৰ্মচাৰী নিয়োগৰ সম্পৰ্কে লক্ষিমপুৰ জিলাৰ গ্ৰাম্য বিদ্যুৎ সংমণ্ডলক ৰাজ্যিক পৰিষদে অবহেলা কৰিছে, প্ৰৱঞ্চনা কৰিছে।

মাননীয় সভাপতি মহোদয়, ৰাজ্যখনত এনে কিছুমান 'চাব ডিভিজন' আছে য'ত বিষয়া কৰ্ম্মচাৰী নাই। তেনেহলে বিষয়া-কৰ্ম্মচাৰীসকল ক'ত আছে? যিবিলাক ঠাইত পোষ্টিং' হব লাগিছিল তাত 'পোষ্টিং' হোৱা নাই। বিষয়া আৰু কৰ্ম্মচাৰী পোষ্টিঙৰ ক্ষেত্ৰত যে চৰম অৱহেলা কৰিছে এই বিষয়ে মই উদাহৰণ দিব খুজিছো। এই বিষয়ে মই 'চিফ ইঞ্জিনীয়াৰ ডিষ্ট্ৰিবিউচন' আৰু সংশ্লিষ্ট মাননীয় মন্ত্ৰী মহোদয়ৰ লগতো যোগাযোগ কৰা হৈছে।

মাননীয় সভাপতি মহোদয়, ধেমাজীত অনুমোদিত বিষয়া-কৰ্ম্মচাৰীৰ সংখ্যা হৈছে—১৪ জন; তাৰ ভিতৰত নিয়োগ কৰা হৈছে ৮ জন। চিলাপথাৰ জিভি-জনত অনুমোদিত মুঠ বিষয়া-কৰ্মচাৰীৰ সংখ্যা হৈছে মুঠ ১৪ জন। তাৰ ভিতৰত নিয়োগ কৰা হৈছে ২ জন। ধেমাজী আৰ, ই, চি চাব-ডিভিজনত অনুমোদিত মুঠ বিষয়া-কৰ্মচাৰী হৈছে ৪২ জন, তাৰ ভিতৰত নিয়োগ কৰা হৈছে ১৫ জন। উত্তৰ লক্ষীমপুৰ আৰ, ই,চি চাব-ডিভিজনত মুঠ অনুমোদিত বিষয়া-কৰ্মচাৰী হৈছে ৪২ জন, তাৰ ভিতৰত নিয়োগ কৰা হৈছে ২৫ জন। বিহপুৰীয়া আৰ, ই, চি চাব-ডিভিজনত অনুমোদিত মুঠ বিষয়া-কৰ্মচাৰীৰ সংখ্যা ৪২ জন, তাৰ ভিতৰত নিয়োগ কৰা হৈছে ৮ জন। ঢকুৱাখানা আৰ, ই, চি চাব-ডিভিজনত মুঠ অনুমোদিত বিষয়া-কৰ্মচাৰীৰ সংখ্যা হৈছে ৪২ জন, তাৰ ভিতৰত নিয়োগ কৰা হৈছে ১ জন। চিলাপথাৰ আৰ, ই, চি চাব ডিভিজনত অনুমোদিত মুঠ বিষয়া-কৰ্মচাৰীৰ সংখ্যা হৈছে মুঠ ৪৭ জন, তাৰ ভিতৰত নিয়োগ কৰা হৈছে ২ জন। ধেমাজী পাৱাৰ হাউচত অনুমোদিত মুঠ বিষয়া-কৰ্মচাৰীৰ সংখ্যা হৈছে

৩৮ জন, তাৰ ভিতৰত নিয়োগ কৰা হৈছে ১৮ জন। লক্ষীমপুৰ পাৱাৰ হাউচত অনুমোদিত মুঠ ৩৫ জন বিষয়া-কৰ্মচাৰীৰ ভিতৰত নিয়োগ কৰা হৈছে ১২ জন। তুই এজন মাননীয় সদস্যই কৈছে যে অসম ৰাজ্যিক বিদ্যুত পৰিষদত বিষয়া-কৰ্মচাৰীৰ সংখ্যা বেছি। কিন্তু কথা হৈছে কি যিবিলাক অঞ্চলত পোষ্টিং কৰিব লাগিছিল সেইবিলাক অঞ্চলত কৰা নাই। কিন্তু গুৱাহাটী চাব-ডিভিজন আদিত অনুমোদিত বিষয়া-কৰ্মচাৰী আৰু নিয়োগ কৰাৰ সংখ্যা বেছি আছে। সেই কাৰণেই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে, যিবিলাক অঞ্চলত অনুমোদিত বিষয়া কৰ্মচাৰীক নিয়োগ কৰা নাই সেইবিলাক অঞ্চলত অনতি-পলমেই প্ৰয়োজনীয়তালৈ চাই নিয়োগ কৰাৰ ব্যৱস্থা কৰিব। সেইদৰে এন, এল ইলেকট্ৰিকেল চাৰ্কোল, ; এন এল, টি, এচ, টি, ডিভিজন ; এন, এল, ইলেকট্ৰিকেল ডিভিজন এক ; এন, এল, চিভিল ডিভিজন — এক ; এছ, ই, আৰ, ই, চি ডিভিজনত অনুমোদিত সংখ্যা অনুসৰি বিষয়া কৰ্মচাৰী নিয়োগ কৰা হোৱা নাই। ঘিলামৰাত ৬৬ কে, ভি চাব ষ্টেশন এটাৰ কাৰণে ১৯৮১ চনতে বন্দবস্তি দিয়া হৈছিল। এতিয়া সেইটোকে আকৌ কলিকতিয়া এটা কোম্পানীত নতুনকৈ বন্দবস্তি দিয়া হৈছে। মাজতে লক্ষীমপুৰত গৈ সংশ্লিষ্ট বিষয়াসকলক সুধি গম পালো যে, মাৰ্চ মাহৰ প্ৰথম সপ্তাহতে তাত কাম আৰম্ভ কৰা হব। কিন্তু মই মাৰ্চ মাহৰ ১৪ তাৰিখলৈকে লক্ষীমপুৰতেই থাকি কাম হলে আৰম্ভ কৰাৰ কোনো গম নাপালো। এইবিলাকেই হৈছে চূড়ান্ত অৱহেলা আৰু ৰাইজক প্ৰবঞ্চনা কৰাৰ একো একোটা উদাহৰণ। মাননীয় মন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে এইবোৰ সদনত দাখিল কৰিছো।

তাৰ পিছত মাননীয় সভাপতি মহোদয়, লক্ষীমপুৰ জিলাৰ ধেমাজী মহকুমাৰ মুঠ ৰাজহ ভিলেইজৰ সংখ্যা হৈছে ৭৯৪। তাৰ ভিতৰত ১২১ খন গাৱঁতহে বৈদ্যুতিকৰণ কৰা হৈছে। তাৰ ভিতৰত ৬৭৩ খন গাওঁ বৈদ্যুতিকৰণ কৰিবলৈ এতিয়াও বাকী আছে। মাননীয় সভাপতি মহোদয়, ৭ ম পাঁচবছৰীয়া পৰিকল্পনা শেষ হবৰ কাৰণে মাত্ৰ ডেৰ বছৰহে বাকী আছে। এই ৭ ম পাঁচ বছৰীয়া পৰিকল্পনাৰ ভিতৰতে লক্ষীমপুৰ আৰু ধেমাজীৰ যিবিলাক গাওঁ বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে বা কৰাৰ কথা আছিল সেইবিলাক অঞ্চল এই দেৰ বছৰৰ ভিতৰত শেষ কৰিব পাৰিবনে নোৱাৰে তাত সন্দেহ আছে। সেই কাৰণে এই বিধান সভাত থাকি মই মাননীয় মন্ত্ৰী মহোদয়ক টানি

অনুৰোধ কৰিছো যে অনতিপলমেই ধেমাজী আৰু লক্ষীমপুৰ জিলাত বৈদ্যুতিকৰণৰ ক্ষেত্ৰত বাকী থকা অঞ্চলবিলাকত ক্ষীপ্ৰ কালীন ব্যৱস্থা গ্ৰহণ কৰি বৈদ্যুতিকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। নহলে এই বিধান সভাৰ সদস্য হৈও, শাসক দলৰ বিধায়ক হৈও ৰাইজ তথা নিজৰ অঞ্চল বা ৰাজ্যখনৰ সামগ্ৰিক স্বাৰ্থৰ কাৰণে নিজৰ দলৰ চৰকাৰ এখনক সমালোচনা কৰিব বগীয়া হয়। পৰিস্থিতিয়ে এই সমালোচনা কৰিবলৈ বাধ্য কৰে।

মাননীয় সভাপতি মহোদয় ৰাজিক বিদ্যুৎ পৰিষদে অফিচৰ প্ৰয়োজনীয়তা নথকা ঠাইতো অফিচ দিছে আৰু প্ৰয়োজনীয়তা থকা ঠাইতো অফিচ দিয়া নাই। উদাহৰণ স্বৰূপে দেখা যায় যে, তেজপুৰ টাউনত ৰাজ্যিক বিদ্যুৎ পৰিষদৰ মুঠ ১১ টা অফিচ আছে। তাৰ ভিতৰত ইলেকট্ৰিকেল ডিভিজন এটা আৰু চাব-ডিভিজন অফিচ দুটা। এচ ই, (ই অফিচ চাৰ্কোল ১টা। চিভিল, ডিভিজন আৰু এচ, ডি. অ' অফিচ এটাকৈ। টি, এচ, টি ডিভিজন আৰু এচ, ডি, অ' অফিচ এটাকৈ। আৰ, এছ, ই এচ, ই অফিচ চাৰ্কোল এটা, ই, ই, অফিচ ডিভিজন এটা; এচ ডি, অ' অফিচ এটা। এইদৰে সৰ্বমুঠ ১১ টা। তেজপুৰত ১১ টা অফিচৰ প্ৰয়োজন আছিলনে? অফিচৰ তুলনাত তাত পোহৰৰ ব্যৱস্থা আছেনে? এইবিলাক আজি বিচাৰ্য্যৰ বিষয় হৈ পৰিছে। অফিচ ক'ত লাগে? অফিচ লাগে ঢকুৱাখানাত অফিচ লাগে জোনাইত শদিয়াত। কিন্তু সেইবিলাক ঠাইত অফিচ দিয়া হোৱা নাই। ৭ম পাঁচ বছৰীয়া পৰিকল্পনাত ধাৰ্য্য কৰা গাওঁসমূহ বৈদ্যুতিকৰণ কৰিবৰ কাৰণে লক্ষীমপুৰ জিলাৰ এছ ই এ ঘিলামৰাত আৰ, ই, চিৰ এটা চাব্ ডিভিজন লাগে বুলি দাবী কৰা স্বত্বেও তেখেতৰ সেই পৰামৰ্শ পৰিষদৰ মুখ্য অভিযন্তাই হওঁক বা চেয়াৰমেনেই হওঁক বা বিদ্যুত পৰিষদেই হওঁক বা বিভাগেই হওঁক এছ, ই ৰ সেই পৰামৰ্শ অবহেলা কৰিছে। সেই কাৰণেই মাননীয় সদস্য শ্ৰীঅৰ্দ্ধেন্দু দে ডাঙৰীয়া আৰু মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কোৱাৰ নিছিনাকৈ মইওঁ সেই সুৰতে মিলাই কওঁ যে, কেবল মাত্ৰ বিষয়া কৰ্ম্মচাৰীৰ সুবিধাৰ কাৰণেহে অফিচ বিলাক দিয়া হয়, আচঁনিয়ে বিচৰা ঠাইত দিয়া নহয়। সেই কাৰণেই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ কাম-কাজত হস্তক্ষেপ কৰিব লাগে। আমি বিধায়ক সকলে কোৱা কথাবিলাকৰ ওপৰত গুৰুত্ব আৰোপ কৰিহে ব্যৱস্থা লব লাগে। এই কথা

বিলাক আগৰে পৰাই কৈ আহিছো । মিনিষ্টাৰ সলনি হৈছে, চেয়াৰমেন সলনি হৈছে । আপোনালোকে শুনি আমনি পাব যে, ৭ ম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কাল শেষ হবলৈ আৰু দেৰ বছৰমান কাল বাকী আৰু গণপৰিষদ চৰকাৰৰ ম্যাদ শেষ হবলৈকো প্ৰায় দেৰ বছৰমান কাল বাকী আছে। গতিকে এই বছৰৰ ভিতৰত পৰিকল্পনাৰ বাকী থকা গাওঁবিলাক বৈদ্যুতিকৰণ কৰিবলৈ দ্ৰুত ব্যৱস্থা গ্ৰহণ কৰিব লাগে ।

শ্ৰীথানেশ্বৰ বড়ো (সভাপতি) : আপোনি অলপ চমু কৰক ।

শ্ৰীভৰত চন্দ্ৰ নৰহ : ঠিক আছে ।

মাননীয় সভাপতি মহোদয়, অসম অনুসূচীত জাতি আৰু জনজাতি ( খালি পদ আৰু পদবীৰ সংৰক্ষণ ) বিধি ১৯৭৮ খন অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে নিযুক্তি আৰু প্ৰমোশ্বন দিওঁতে মানি চলা নাই । গুৱাহাটী উচ্চ ন্যায়ালয়ৰ চিভিল ৰোল নং ৩৪৩ ৰ ১৯৮৫ ৰ দ্বাৰা এই বিধি বিদ্যুৎ পৰিষদক মানি চলিবলৈ নিৰ্দেশ দিয়ে ।

( সময়ৰ সংকেত )

মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে, উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশ যাতে বিদ্যুৎ পৰিষদে মানি চলে তাৰ কাৰণে চৰকাৰে হস্তক্ষেপ কৰিব লাগে ।

Shri Binai Kumar Basumatari : Mr. Chairman, Sir, I take my stand here to support all the cut motions moved by the opposition members but I also want to support the Treasury benches particularly Mr. Narah. He has referred to some news items which says members of the treasury benches have started criticising the Government and functioning like opposition members. But by being with the party in power they do not lose the power to advise and criticise the Government. Why I say this, Sir, is to prove that the House is unanimous in criticising the action, plans and programmes of the ASEB or Grant No. 62 under Power and Electricity. Sir, in the past I have said that

this Department should be brought under the direct control of the Government. The Government of India might have passed certain legislation but it is also the duty of the Government because this Government had come to power with the declared promise that it will do its best for the people of Assam. Now why this question has arisen ? Sir, this is the demand for grant. What do you see in page 70 ? It says that out of fifty nine crores fifty one lakhs thirty seven thousand, rupees fifty five crores fifty six thousand and odd are given for loan for power projects. We are going to pass this allocation only as loan. We are not going to concern ourselves with the day to day work of the Department. This is implied through this allocation. Just by giving this loan do we wash our hands off ? Suppose, Mr. Chairman, Sir, you lend me some money with the agreement that I am to repay within three months and I do not pay after three months will you keep quiet ? Here the simple principle is not adopted and we just after granting the loan wash our hands off and Sir, surprisingly that has been stated here in the Assam State Electricity Beard Annual Financial Statement for the year 1989-90, part I at page 7. They want that the entire thing should be given as grant. It says like this, the first paragraph and I quote-- "The negative internal resources of Rs. 39.42 crores in the Annual Plan for 1988-89 which was included in the allocation of resources for financing the plan outlay has increased to Rs. 88 37 crores consequent upon finalisation of the Review of the Financial Resources for the current year. As the Board expects to avail of an additional amount of Rs. 0,96 crores, through the Bills Rediscounting Scheme

of IDBI the Board has sought Rs. 41.99 crores from the Government as additional loan or preferably as grant to meet the additional gap in the internal resources during the current financial year." So, Sir, this is what has happened and this is going to cause a discussion on matters of policy. Sir, now I want to point out some of the discrepancies in this part I of the ASEB Annual Financial Statement. In the Schematic Outlay it is said Dhansiri MHEP 20 MW, but Sir, subsequently if you go through then you will find in page 11 of the said Statement at Serial No. 4 Dhansiri HEP (15XI.33MW). Sir, how can a single document contain such contradictory things. Here originally it is stated 20 MW but subsequently it says 33 MW - which one is correct? Sir, I am not a technical person and I am perhaps the least educated, so I want to request the Department through the Minister, Power to kindly explain this. Then, Sir, I will refer to page 12, Bongaigaon TPS : "Board's project report for capital restoration of Bongaigaon TPS at an estimated cost of Rs. 9.66 crores is being reviewed as suggested by CEA and is expected to be resubmitted to them shortly." What are we going to do about Bongaigaon TPS? Are we going to review it? Sir, last time I travelled by train from Delhi to Guwahati when I meet the Engineer who came to check this thermal project. I told him about the Bongaigaon TPS that it was discussed in the Assam Assembly also - that you are turning Assam into a laboratory by sending all sorts of things for experimenting their workability and cheating the people of Assam. Then he said the ASEB has

not employed any person who knows how to run this machine. He told me this and I think it is true. Some people have been brought in on temporary measure to run this project from outside the State.

Sir, there are many points I want to discuss on the Revenue Expenditure side. We want to supply power to the rural people in our villages. The Board took up the Rural Electrification Scheme and what is progress till now? If you compare the figures provided in the Electricity Board's Annual Statement for 1989-90 and the Statistical Hand Book 1987 I want to refer to the last column, at page 106 of the Statistical Handbook 1987, period 1985-96, total villages electrified during 1984-85 11,805, and during 13648 villages. Here also these figures can be challenged because there are figures of villages electrified as given by the Electricity Board itself in their Statment which just do not agree with the figures published by the Assam Govt: in the Statistical Handbook: Therefore, in this Rural Electrification Sector, there are many puzzles. Sir, I want to refer to the Electricity Board's Annual Financial Statment for the year 1989-90 (Part I) at pags 15 under the head "Rural Electrification". I quote :—"Out of 1931 villages as per 1971 Census, 975 villages have been electrified upto 31.3.88. It would be possible to electrify another 106 villages with the revised allocation of Rs. 1·71 crores during the current financial year: The programme for 1989-90 is to electrify another 113 villages against which an allocation of Rs: 2·25 crores has been made. 43 No. of pumpsets have been energised in the hill districts upto 31.3.88.

The programme is to energise 10 (ten) pumpsets each during 1988-89 and 9 ,9-90". This is a paper which is placed in this House and this is the picture which it gives to us. Are we to be made fools like this ? Which of the figures are to be taken as correct sir ? These are the things that are going on in the State Electricty Board. Therefore I again suggest earlier also in the House that this A.S.E.B. should be brought under direct control of the Government and we should not wash off our hands by passing the Grant alone.

Before I conclude, I should like to speak about purchases of electricity from other States, and here at page 8 of their Statement, under the head "Revenue Expenditure" I quote from it :- "The overall revised revenue expenditure including debt servicing on institutional loans (other than repayment of market borrowing) registered an increase of Rs 13·22 crores over the budget estimates. The main reasons are substantial increase in the cost of power purchase, increase in import, marginal increase in the Estb. expenses and only marginal reduction in the estimates of fuel cost for a substantialty lower estimates of generation due to increase in the cost of coal." Then it further goes on to say like this. You will find sentences like this :— "There has been however an increase of Rs. 30·00 per ton in the case of price of Coal," and than again "this has not been given effect to in the estimates as the exact increase in the landed cost is not known till now." Please mark the words — "is not known till now.' Sir, it appears, the Department does not know: What are

we here for? This amounts to a virtual mis-placement of fact. It is something like a jigsaw puzzle from a magician. They want to give us a rosy picture in that book which does not give us the real thing.

Then what I want to say is this Sir: This Assembly has constituted a Committee of which you are a Member. Do you remember Sir, what was stated before the Committee? I want to refer to certain happening. What was the deposition made at Mangaldoi Circuit House where the Committee met for enquiry on 9-5-89 evening? It was deposed before the Committee by an A.S.E.B. man that 12 K M. length of high tension power line had been removed at one time and another 19 K.M. length of high tension line had been removed at another place due to which these has been disruption in power supply in my Subdivision. Sir, this is not the kind of deposition before a House Committee: How can anyone, any layman remove 12 k m, of high tension line without the connivance of the A.S.E.B. officials or has it been not done by the Electricity Board men themselves under the plea of Bodo movement? These are not unknown. Our question is: What was the Electricity Board people doing? Can you imagine if any Bodo people could remove such a huge length of high tension line stretching 12 K.M. or 19 K.M. without the knowledge of anybody? To steal such a huge length of high tension wire, there must have to be a heavy crane for use, heavy transport for removal and lot of other applicnces to cut the H.T. line and that would create a lot of noise and there may be hundred villages falling within the distance

of 12 or 19 K.M. Sir, 12 K.M or 19 K.M. is not a matter of joke. So in the name of Bodo movement, they want to cover their deficiency.

The last point I want to raise is that in our tribal areas there is no Line-man, though the service of a Line-man is indispensible for the Electricity Board to keep the supply of power in the area. The Line-men left their duty posts with the plea that Bodos are going to kill them. Sir, I want a statement from the Government in this connection. How many Electricity Board people have been killed during the Movement period by the Bodos? Again Sir, in my contituency, many power line posts were uprooted; even poles made sal timber were broken by twos and threes and there has been no replacements. Sir, what happened during the period? As I was walking and travelling in my Constituency, I saw small boys with small bamboo posts trying to tap current by connecting house wire with the powerline. How dangerous it is? If the line would have been charged, what would have happened to these young people? Who have taught them to tap current in this manner? It is the A.G.P. poople during their movement. They taught them if there is no current yo tap like this. The A.G.P people has taught them. You have done it during the movement last and you are teaching and you can think of getting power like this manner by teaching small minor boys. Sir, I hope the Government will enquire into this matter and take remedial measure.

* শ্ৰীদেবেশ্বৰ বৰা : মাননীয় সভাপতি ডাঙৰীয়া. এই সদনত শক্তি মন্ত্ৰী ডাঙৰীয়াই বৰ্ত্তমান বিত্তিয় বছৰৰ বাবে যিখিনি মঞ্জুৰী বিচাৰিছে সেই মঞ্জুৰীত মই সমৰ্থন জনাইছো। শক্তি মন্ত্ৰীয়ে এই বছৰটোত যাতে শক্তিশালী হিচাবে কাম কৰিবলৈ আগবাঢ়ি আহিব পাৰে সেইটো আশা কৰিছো আৰু শক্তিহীন হিচাবে যাতে কাম কৰিব নালাগে সেইটো কামনা কৰিছো। যোৱাবাৰ মই এই বিভাগটোক নাৰৰীয়া বিহীন বুলি অভিহিত কৰিছিলো আৰু এইবাৰ যাতে শক্তি মন্ত্ৰীয়ে শক্তি বিহীন নহয় সেইটো আহ্বান জনাইছো। মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই কিছু কথা কৈছে আৰু মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াইও কিছু কথা কৈছে। বৰ্ত্তমান পৰিকল্পনাত ঋণ হিচাবে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক ৫৫ কোটি ৫৬ লাখ টকা দিয়া হৈছে পৰিকল্পনাৰ আধাৰত আৰু পৰিকল্পনা বহিৰ্ভূত ভাবে ১৭ লাখ ৩৭ হাজাৰ টকা ধাৰ্য্য কৰা হৈছে। তাৰোপৰি ৩ কোটি ৭৯ লাখ টকা ধাৰ্য্য কৰা হৈছে। আমি আশা ৰাখিছো বিদ্যুৎ বিভাগে আহিব লগীয়া বছৰটোত নিশ্চয় কাম কৰিব পাৰিব। আমাৰ বিদ্যুৎ বিভাগৰ কিছু কামৰ কাৰণে আমি ধন্যবাদ জনাইছো এই কাৰণেই যে মুঠ ২১ হেজাৰ ৯৯৫ খন গাৱঁৰ ভিতৰত কুঁৰ দফীয়া আঁচনি আৰু অন্যান্য আঁচনিৰ মাজত ৩৮১৬ খন গাওঁ বৈদ্যুতিকৰণ কৰিবৰ কাৰণে পুনৰ লক্ষ্য ধাৰ্য্য কৰা হৈছে। আমি আশা ৰাখিছো এই গাওঁ সমূহও বৈদ্যুতিকৰণ কৰা হব। আমি দেখিবলৈ পাইছো যে গ্ৰাম্য বৈদ্যুতিকৰণ নিগমৰ দ্বাৰা ইতিমধ্যে কিছু কাম কৰিবলৈ আগবাঢ়িছে, কিন্তু এটা দুখ লগা কথা হৈছে যিবিলাক গাৱঁত খুটা পোতা হৈছে সেই সকলোবিলাক গাৱঁকো বৈদ্যুতিকৃত গাওঁ বুলি জনোৱা হৈছে এই সমূহৰ ওপৰত বেছি অগ্ৰাধিকাৰ দিব বুলি আশা ৰাখিছো। এই সম্পৰ্কত আৰু কেইটামান কথা কব বিচাৰিছো। সেইয়া হল অলপতে মই অৰুণাচল মেঘালয় আৰু নাগালেণ্ড সীমান্ত ভ্ৰমণ কৰি আহি গম পাইছো যে মেৰাপানী এলেকাত নাগালেণ্ডৰ ফালে গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ জৰিয়তে গাওঁ সমূহক বিজুলী যোগান ধৰা হৈছে। কিন্তু আমাৰ ফালে গাওঁ সমূহত এতিয়াও বিজুলী বাতি জ্বলাব পৰা হোৱা নাই। কেৱল বিজুলী বাতি যোগানৰ খুটা পুতিলেই বিজুলী বাতি যোগান ধৰা নহয়। গতিকে সীমান্ত এলেকাত গাওঁ সমূহত বিজুলী বাতি যোগানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিব লাগে। মই মাননীয় মন্ত্ৰী মহোদয়ক

*Speech not corrected

ব্যক্তিগত ভাৱে অনুৰোধ কৰিব বিচাৰো যে যি পাৰ্চেজিং কমিটি আছে এই পাৰ্চেজিং কমিটি শতকৰা ৫০ ভাগ বিধান সভাৰ বিৰোধী দলৰ সদস্য শাসক দলৰ সদস্য আৰু কৰ্ম্মচাৰী ৰাখিব লাগে ; কিয়নো এই পাৰ্চেজ বোৰ্ডে ক্রয় কৰিব লগীয়া সামগ্রী সমূহৰ ক্ষেত্রত ঠিকাদাৰ সকলৰ লগত যোগাযোগ ৰাখি বহুত ক্ষেত্রত দুৰ্নীতি কৰিবলৈ সুযোগ পায়। এই কাৰণে এই ক্ষেত্রত বিহীত ব্যৱস্থা লবলৈ মই মন্ত্রী মহোদয়ৰ ওচৰত অনুৰোধ জনালো। আমাৰ বিদ্যুৎ বিভাগৰ ক্ষেত্রত এষ্টাব্লিচমেণ্ট কষ্ট শতকৰা ২০ ভাগ খৰছ হয় যদিও ভাৰতবৰ্ষৰ অন্যান্য দেশত সেই এষ্টাব্লিচমেণ্টৰ ক্ষেত্রত মাত্র শতকৰা ১০ ভাগহে খৰছ হয়। ইয়াৰোপৰি এই বিভাগত মেন পাৱাৰ যিবিলাক দিয়া হয় সেই বিলাকো ভালকৈ চাব লাগে এই কাৰণেই যে তেওঁবিলাকে প্রকৃততে কাম কৰিব পাৰেনে নোৱাৰে সেইটো নিশ্চিত হব লাগে। এই কৰ্ম্মচাৰী সকলৰ কাৰিকৰী দক্ষতাৰ ওপৰত নিশ্চিত হব লাগে। এনেবিলাক কথা কাগজে পত্রে বহুতবাৰ উল্লেখিত হৈ আছে আৰু এই লোক সকলে কেৱল প্রমোচনৰ কাৰণেহে চেষ্টা কৰি আছে। সেই কাৰণে এই গোটেইবিলাক কথাৰ প্রতি চোকা দৃষ্টি ৰাখি শক্তি শালী ভাৱে বিদ্যুৎ মন্ত্রীয়ে কাম কৰিবলৈ আগবাঢ়ি আহিব বুলি আশা ৰাখি মঞ্জুৰীটো সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

* শ্রীখলীলুল ইছলাম : মাননীয় চেয়াৰমেন মহোদয়, শক্তি মন্ত্রী মহোদয়ে যিটো মঞ্জুৰী দাবী উত্থাপন কৰিছে তাক মই বিৰোধিতা কৰিছো। এইটো এটা এনেকুৱা বিভাগ যিটো বিভাগে অনবৰতে লোকচান কৰি আহিছে। এই বিভাগক আৰু কোনো টকা দিয়াৰ প্রয়োজন নাই। কিয়নো লোকচান ভৰি থকা এই বিভাগটোক টকা দিলে কেৱল লোকচানহে কৰিব। গতিকে টকা দি কি লাভ হব, আমি বুজিব পৰা নাই। আমি বিধান সভাৰ বিধায়ক হিচাবে অহাৰ পিচত আমাৰ পৰা ২০ খনকৈ গাওঁৰ লিষ্ট বিচাৰিছিল বৈদ্যুতিকৰণ কৰিব বুলি। কিন্তু ইয়াৰ দ্বাৰা আমাক এতিয়া ৰাইজৰ লগত কাজিয়াৰহে সূত্রপাত কৰাইছে। বিধায়ক হিচাবে আমাক ফাকি দিছে আৰু আমিও ৰাইজৰ আগত ফাঁকিবাজ বুলি পৰিগণিত হৈছো। ২০ খনৰ ঠাইত এখন গাওঁও একে হোৱা নাই। অথচ এই গাওঁ বিলাকৰ মাতবৰ অথবা ৰাজনৈতিক কৰ্মী সকলৰ লগত আলোচনা কৰি সেই গাওঁবিলাক তালিকাভুক্ত কৰিছিলো। কিন্তু বিভাগে বৈদ্যুতিকৰণ

* Speech not corrected

নকৰাৰ ফলত গাওঁৰ ৰাইজে আমাক ফাকিবাজ বুলি ভাবিবলৈ বাধ্য হৈছে। সভাপতি মহোদয়, এই বিভাগৰ কৰ্মচাৰী সকলে ৰাজহ নিদিয়াকৈ বিজুলী ব্যৱহাৰ কৰিব পাৰে আৰু ইয়াৰ ফলত চৰকাৰী বস্তু উধাই মুধাই ব্যৱহাৰ কৰে। কিন্তু তাকে নকৰি যদি কৰ্ম্মচাৰী সকলেও তেওঁলোকে ব্যৱহাৰ কৰা বিজুলী শক্তিৰ বাবদ অন্তত: শতকৰা ৫০ ভাগ ৰাজহ দিয়াৰ ব্যৱস্থা কৰা হয় তেতিয়া হলে চৰকাৰী বস্তু হিচাবে বেফিকিৰ ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকিব। আৰু ইয়াৰ লগতে শতকৰা ৫০ ভাগ ৰাজহৰ পইচা বিভাগৰ হাতত জমা হবহি। এই বিভাগৰ যিখন মেচিনাৰী পাৰ্চেজ বোৰ্ড আছে সেই বোৰ্ডখন বিৰোধী দলৰ শতকৰা ৫০ ভাগ আৰু শাসক দলৰ শতকৰা ৫০ ভাগ সদস্য লৈ তাৰ লগতে বিভাগীয় কৰ্ম্মচাৰী লৈ সংযুক্ত কৰি নতুনকৈ গঠন কৰিব লাগে, তেতিয়াহলে দুৰ্নীতি কিছু কমিব বুলি আশা কৰিব পাৰি। নহলে মেচিনাৰী কিনাৰ ক্ষেত্ৰত বহুতো খেলি-মেলি হয়। সিদিনা বাতৰি কাকতৰ সম্পাদক বৰুৱা ডাঙৰীয়াৰ লগত কথা পাতোতে বিজুলী বিভাগটোক দিশপুৰৰহে বিভাগ বুলি কৈছিল। দিশপুৰতহে লাইন নাযায়। মই কওঁ যে বিভাগটো ৰাইজৰ বিভাগ।

আজি দিশপুৰতহে কাৰেণ্ট পোৱা যায় কিন্তু অইন ঠাইত পোৱা নাযায়। এই বিভাগটো ৰাইজৰ কেৱল দিশপুৰৰ নহয়। গতিকে ৰাইজৰ বাবে যাতে বিভাগটো ব্যৱহাৰ কৰিব পাৰি তাৰ প্ৰতি বিশেষ নজৰ দিব লাগে। তাৰ পাচত আমাৰ মাজত এটা কম্পিটিশ্যন দেখা গৈছে যে সদনৰ কমিটি এটা গঠন কৰি দিয়াৰ পাচতো কোনো কমত নাহিল। কৰ্ম্মচাৰী সকল বেচি শক্তিশালী হৈ পৰিছে কিয়নো তেওঁলোকৰ ইচ্ছা মতেই কাৰেণ্ট চালু হৈ থাকে আৰু যি সকলে এই বিলাক বিষয়ত বেছিকৈ অভিযোগ তুলি থাকে তেওঁলোকৰ কাৰেণ্ট বন্ধ কৰি দিয়াত তেওঁলোক পাকৈত কিয়নো মাননীয় সদস্য শান্তি ৰঞ্জন দাসগুপ্তই এই বিষয়ত সদসত বেছিকৈ সমালোচনা কৰি থকাৰ কাৰণে তেওঁৰ কাৰেণ্ট বন্ধ কৰি দিছে। গতিকে যি কোনো সময়ত এই কাৰেণ্ট বন্ধ কৰি দিয়াৰ ক্ষেত্ৰত একোটা নিয়মীয়া পলিচি উদ্ভাৱন কৰিব লাগে। মই ভাবো এই বিভাগটোৰ কাম-কাজ বিলাক প্ৰাইভেট চেকটৰত দি দিব লাগে বা প্ৰাইভেট চেক্টৰত যদি দায়িত্ব দিয়া হয় তেতিয়া হলে তেওঁলোক না-পাত্তা হৈ যাব। যেনেকৈ আজি ট্ৰেন্সপোৰ্ট দিপাৰ্টমেণ্টে লোকচান

ভৰি আছে, এই ডিপাৰ্টমেণ্ট যদি প্ৰাইভেট চেক্টৰত দি দিয়া হয় তেতিয়া বহুখিনি লোকচান কমি আহিব। সেই কাৰণে মই পৰামৰ্শ দিব বিচাৰিছো এই বিভাগটো প্ৰাইভেট চেক্টৰত দি দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়। আজি ২৩ হাজাৰ কৰ্ম্মচাৰীক তাত নিয়োগ কৰা হৈছে। মই ভাবো এই নিযুক্তি পপুলেশ্যন পেটাৰ্ণ ৰিফলেক্ট হোৱাকৈ কৰিব লাগে, কিযনো নহলে এটা বা এখন ঠাইৰে সকলো বিলাক নিযুক্তি হলে ইউনিয়ন দাবী কৰাত সুবিধা হয়. গতিকে পপুলেশ্যন পেটাৰ্ণ ৰিফলেক্ট হোৱাকৈ নিযুক্তি বিলাক দিলে এই ইউনিয়ন ইত্যাদি কৰাত সুবিধা নাপাব। এই বিদ্যুৎ শক্তি আজি এনে এটা দৰকাৰী বস্তু যাৰ দ্বাৰা নেকি গোটেই পৃথিবীৰ মানব সভ্যতাক আগবঢ়াই অনাৰ কাৰণে এই বিদ্যুৎ শক্তিয়ে সক্ৰীয় ভূমিকা লৈ আছে. এই বিদ্যুৎ শক্তিৰ অবিহনে কোনো জাতি কোনো ৰাজ্য বা ৰাষ্ট্ৰই উন্নতিত আগবাঢ়ি আহিব নোৱাৰে। মানুহে আজি জনম হৈয়েই বিজুলি বা বিদ্যুৎ সহায় লবলগীয়া হয়, কাৰণ ডেলিভাৰী হওতেই বিদ্যুৎৰ সহায় নোহোৱাকৈ চলিব নোৱাৰে। আনকি মৃত্যু হলে অন্তেক্তিক্ৰীয়া সমাপন কৰা হয় বিদ্যুৎ প্ৰবাহৰ দ্বাৰা। মুঠতে জীৱনে মৰণে, শয়নে সপোনে সকলো ক্ষেত্ৰতে বিদ্যুৎৰ প্ৰয়োজন আছে। সেইকাৰণেই বিদ্যুৎ বিভাগটো নিকা কৰাৰ কাৰণে চেষ্টা কৰিব লাগে। আমাৰ যিবিলাক দূৰ্নীতি পূৰ্ণ বিভাগ আছে সেই বিভাগ কেইটা আনি একেলগ কৰি এটা কৰাপটেড ডিপাৰ্টমেণ্ট কৰি এজন কৰাপটেড মন্ত্ৰীৰ তত্বাবধানত ৰাখিব লাগে। মই ভাবো বিৰোধী দলৰ এজন অন্যতম যোদ্ধাক এই দায়িত্ব দিলে ভাল হয়। আৰু এই মানুহ জন এজন অভিজ্ঞ মানুহ হব লাগে।

শ্ৰীভৰত নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্বহীদুল ইচলাম চাওধুৰীয়াকে এই মন্ত্ৰী পদটো দিয়া হওক।

ডঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ তেখেতক এ, এচ ই বিৰ চেয়াৰমেনৰ কাৰণে প্ৰস্তাৱ কৰক।

Shri Binai Khungur Basumatary : Mr. Chairman, Sir, is it true that a part of the union of the A.S.E.B. has been converted to AGP ?

শ্ৰীশ্বহীদুল ইচলাম ঃ মোৰ বয়স কম, কম গতিকে অভিজ্ঞ মানুহ লাগে। এই বিদ্যুত বিভাগটোৰ যদি পৰিবৰ্ত্তন সাধন কৰিব পৰা নাযায় তেনেহলে

অসমৰ ভৱিষ্যত অন্ধকাৰ হব। কিয়নো কৃষি জলসিঞ্চন আদিৰ ক্ষেত্ৰতো বিদ্যুৎ শক্তিৰ যথেষ্ট প্ৰয়োজন আছে। এতিয়া শতকৰা ৭৫ ভাগ ধনী মানুহে বিদ্যুৎ শক্তি ব্যৱহাৰ কৰি থাকে। গতিকে এই বিভাগটোৰ প্ৰতি যদি যথোচিত ব্যৱস্থা লোৱা নহয় তেতিয়া হলে অসমৰ উন্নতি কোনো দিনে নহব। সেয়েহে সদনত মন্ত্ৰী মহোদয়ে অহা ডেৰ বছৰৰ ভিতৰত যিবিলাক দুৰ্নীতি এই বিভাগত চলি আছে সেইবিলাক আতৰাই নিকা কৰিব পাৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে আৰু লাভবান কৰি দেখুৱাই তেতিয়া হলে এই গ্ৰাণ্টটো মঞ্জুৰ কৰিব পাৰি। এই প্ৰতিশ্ৰুতি বিচাৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমহেন্দ্ৰ মোহন ৰয়চৌধুৰী : মাননীয় সভাপতি মহোদয়, আমি সকলোৱে উপলব্ধি কৰিছো যে, বিদ্যুৎ বিভাগটো সকলোৰে লাগতিয়াল বিভাগ। এই বিভাগৰ কাম-কাজৰ ওপৰত যিখিনি সমালোচনা হৈছে বা আগতেও কৰা হৈছে ইয়াৰ জৰিয়তে গম পোৱা গৈছে যে, বিদ্যুৎ বিভাগৰ পৰা যিখিনি সা সুবিধা আমাৰ ৰাইজে পাব লাগে সেইখিনি পোৱা নাই আৰু তাৰ পৰা বঞ্চিত হৈ আছে। এই ক্ষেত্ৰত শেহতীয়াকৈ সৰ্বভাৰতীয় পৰ্য্যায়ত দুটা খুটা পুতিলেই এখন গাওঁ বৈদ্যুতিকৰণ কৰা বুলি যিটো নৰ্মচ ধৰা আছে সেইটো আমাৰ মন্ত্ৰী মহোদয়ে এইবাৰ বিৰোধিতা কৰিছে। আমি দেখিছো কোনোবা এখন গাৱঁত এটা বা দুটা পোষ্ট পোতিলেই সেই গাওঁখন বৈদ্যুতিকৰণ কৰা হৈছে বুলি ধৰা হয় আৰু তাৰ ফলত সেইখন গাৱঁৰ এটা ছোৱাত বিদ্যুৎ পায় আৰু আন ছোৱাত বিদ্যুৎ নাপায়। ইয়াৰ ফলত ৰাজনৈতিক আৰু সামাজিকভাবে ফালৰি কাটি অহা দেখা যায়। সেয়েহে ভাৰতৰ অইন ৰাজ্যত নহলেও অসমত এই যিটো নৰ্মচ সেইটো সলনি কৰি গোটেই গাওঁখনতেই বৈদ্যুতিকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। বিদ্যুৎ বিভাগৰ দুৰ্নীতিৰ ক্ষেত্ৰত মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই যিটো কথা কৈছে সেইটোত ময়ো একমত। আমাৰ মাননীয় সদস্য দেবেশ্বৰ বৰা ডাঙৰীয়াই গোলাঘাটত খুটা পোতাৰ ক্ষেত্ৰত যিটো কথা কৈছে সেইটো হয়। এচ, টি লাইন কৰোতে সাধাৰণতে খুটাৰ তলত বল্ডাৰ চিমেণ্ট, বালি নিৰ্দ্ধাৰিত নিয়মমতে দিব লাগে। ১৯৮৩/৮৪ চনত আমাৰ বহুত খুটা পোতা হৈছে, সেইবিলাকত শিল বালি কিবা আছে নে নাই সেইটো চাব লাগে। আমি জনাত শিল, বালি, চিমেণ্ট থাকিব লাগে। কিন্তু নিয়মমতে নকৰাৰ কাৰণে সেইবিলাক এঢলীয়া হৈ যায় আৰু বিপদগ্ৰস্ত হৈছে। পথাৰৰ

মাজে মাজে যিবিলাক লাইন টানি নিয়া হৈছে সেইবিলাকৰ কিছুমান বাগৰি গৈছে। অলপতে মঙ্গলদৈত বিদ্যুৎ প্ৰবাহিত হৈ মৃত্যু হোৱা কথা সকলোৱে জানে। থিক এনেকুৱা ধৰণে তাত শিল-বালি-চিমেণ্ট আদি নিদিলেও বিলত কিন্তু এইবিলাক দেখুৱায়। আৰু এনেধৰণে ভুৱা বিলৰ জৰিয়তে হাজাৰ হাজাৰ টকা ড্ৰ কৰি আছে। তাৰোপৰি তাত যদি এডাল গছ আছে আৰু তাক কটা হয় তেওঁলোকে দেখুৱায় ১০০ জোপা গছ কটাৰ। গতিকে এনে ধৰণৰ দূৰ্নীতিবিলাক যাতে বন্ধ কৰিব পাৰি সেইটো চিন্তা কৰিব লাগে। গাওঁবিলাকত বিদ্যুতৰ যিটো চাৰ্জ দিব লাগে সেইটো কেবা মাহো ধৰি পেলাই থোৱা কাৰণে ৰাইজে একেলগে গোটেই খিনি এমাউণ্ট দিয়াত অপাৰগ হয়। মোৰ নিজৰ গাওঁতেই ১৯৮৩।৮৪ চনৰ আগতেই বিদ্যুৎ যে গান ধৰা হৈছে কিন্তু বিদ্যুৎ চাৰ্জ লোৱা নাই। গতিকে একেলগে আদায় কৰিব খুজিলে ৰাইজৰ অসুবিধা হয়। কিস্তি হিচাবে দিলেও অসুবিধা হয়। মই বিধায়ক হিচাবে লাইট মোৰ ঘৰলৈ অনা বহুত দিন হ'ল কিন্তু এতিয়ালৈকে বিল নিদিয়াত একেলগে চাৰি পাচ হাজাৰ টকা মই কৰ পৰা দিম? আমাৰ ওচৰলৈ অভিযোগ কিছুমান আহিয়েই থাকে। এজন মানুহে বিদ্যুৎ লব আৰু তেওঁ বিদ্যুৎৰ খুটাৰ দামো দিছে কিন্তু কৰ্মচাৰী সকলৰ হেমাহীৰ কাৰণে লাইনটো লব পৰা নাই। কৰ্মচাৰী সকলৰ আন্তৰিকতা এই বিভাগত নাইকিয়া হৈছে বুলি ধাৰণা হয়। এইবিলাক যদি চলিয়েই থাকে তেতিয়া হলে প্ৰাইভেট চেক্টৰকেই এইটো দিয়া ভাল বুলি মোৰ ধাৰণা হয়। কিছুমান মানুহে ওৱাৰিং কৰাৰ পাচতো বিদ্যুৎ পোৱা নাই। মোৰ খৈৰাবাৰীত, জামুগুৰিত ভোলাগুৰি আদি গাওঁত লাইন লোৱাৰ পিচতো ট্ৰেন্সফোৰমাৰৰ অভাবৰ কাৰণে বিদ্যুত থিক মতে যোগান দিব পৰা নাই। যাৰ বিনিময়ত চৰকাৰা ৰাজহ যেনে ধৰণে পাব লাগিছিল তেনে ধৰণে ৰাজহ চৰকাৰে পোৱা নাই। এনেকুৱা ধৰণৰ কথাবিলাক চালি জাৰি চাই আৰু খুটি-নাট বিলাক দূৰ কৰি এই বিভাগটো লাভবান কাৰ তুলিব পাৰিব বুলি মোৰ ধাৰণা। গতিকে চাব-ডিভিজন আৰু ডিভিজন বিলাক খোলাৰ ক্ষেত্ৰত আৰু গাওঁ পঞ্চায়ত বিলাক ডিভিজন বিলাকৰ লগত প্লেচ কৰোতে তেওঁলোকে এই কথা বিলাকৰ প্ৰতি লক্ষ্য ৰাখিব লাগিছিল। মই আশা ৰাখিছো বিভাগে এই যিবিলাক অনিয়ম আৰু দুৰ্নীতি ইত্যাদি বিলাক চলি আছে সেই বিলাক দূৰ কৰিববলৈ চেষ্টা

কৰিব লাগে। আৰু সেইটো কৰিব পাৰিলে এই ক্ষেত্ৰত কিছু লাভবান হব বুলি মই ভাবো। ১৯৮৭ ৮৮ চনত ইলেকট্ৰিফিকেচনৰ কাৰণে ইয়াৰ পৰা কিছুমান গাওঁৰ নাম গৈছিল। কিন্তু সেই বিলাক এচ ই অফিচত গৈ পোৱাৰ পাচত তাত গাওঁৰ নাম বিলাক সলনি হয়। ফলত ডিভিজনত কিছুমান গাওঁৰ নাম পৰিল আৰু কিছুমান সলনি হয়। ফলত ডিভিজনত কিছুমান গাওঁৰ নাম পৰিল আৰু কিছুমান গাওঁৰ নাম নপৰিল। ইয়াৰ পৰা নাম পঠোৱা বা কণ্ট্ৰোল কৰাৰ কাৰণে কিছুমান ঠাই ডেপ্ৰাইভ হয়। গতিকে ফিল্ড অফিচাৰৰ মতে গাওঁৰ নাম বিলাক পঠিয়ালে মই ভাবো কিছু ভাল হব। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বিশেষ চকু ৰাখিব বুলি আশা ৰাখিলো। তাৰ পাচত এ, এচ, ই বি ৰ বিষয়া কৰ্মচাৰী সকলে বিনামূলীয়াকৈ কাৰেণ্ট পোৱাৰ কাৰণে তেওঁলোকে দুটা তিনিটা হিটাৰ লগাই ঘৰৰ দোৱেঁ বাৰেঁ পইণ্ট লগাই নি ঘৰটো ৰমক জমক কৰি ৰাখে। গোহালী ঘৰতো দুই ফালে ইলেকট্ৰিক লাইট জ্বলাই থয়। অথচ তাৰ নিচেই কাষতে থকা আন মানুহৰ ঘৰ আন্ধাৰ হৈ থাকে। গতিকে ইয়াৰ লিমিট নিৰ্দ্ধাৰণ কৰি দিব লাগে যাতে বিভাগৰ কৰ্মচাৰী আৰু বিষয়া সকলে দুই তিনিটা লাইটহে বা হিটাৰ ব্যৱহাৰ কৰিব পাৰে। বাকীখিনিৰ কাৰণে তেওঁলোকে অন্যান্য সাধাৰণ ৰাইজৰ নিচিনাকৈ মূল্য ভৰিব লাগিব। বহু সময়ত ঘৰত লাইট নাথাকিলে বা কাৰেণ্ট বন্ধ হলে যদি অভিযোগ কৰা হয় আৰু বাৰে বাৰে ফোন কৰা হয় তেতিয়া তেওঁলোকে নিদিয়ে। কিয়নো তেওঁলোকে লাইট নোহোৱা কথাটো ভাবিবই নোৱাৰে। হিহেতু তেওঁলোকৰ ঘৰত ২৪ ঘণ্টাই লাইট জ্বলি থাকে। সেয়েহে আমি আশা ৰাখিছো এই বিভাগটোৰ প্ৰতি বিশেষ দৃষ্টি ৰাখি ইয়াক অধিক শক্তিশালী কৰি তুলিব পাৰিব বুলি বিশ্বাস কৰো আৰু এইটো কৰিব পাৰিলে এই বিভাগটোৱে কিছু লাভৰ অংশ দেখুৱাব পাৰিব। এইখিনিকে কৈয়েই মই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি দাবী মঞ্জুৰীটো সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Monilal Goala : Mr. Chairman Sir, I take my stand to support the Cut Motion moved by our party member. Sir, It is an admitted fact that more the country is economically sound the more is the consumption of power.

Sir, without energy, the economic and social structure cannot be changed. But Sir, it is a matter of great regret that in our State, the consumption of power is very low. The present peak demand is 475 MW, whereas its production is 320 MW, leaving a deficit of 155 MW. Hence, it is desired that to meet this deficit of 155 MW, gas-based project should be constructed. Sir, there is production of 6 M. KW in this state; whereas, its consumption is only 4/5 M. KW. So, it is observed that if we construct gas based power station, our deficit in power will be covered and the energy could be used for useful purposes. It is interesting to note that the cost for coal-based power station is Re 1 per KW, whereas in gas-based power station, the cost per KW is only 0.57 P. In our State, there is no scarcity of gas. Four fields have been found in my Constituency, namely, Adamtila and in Cachar District, Panchgram.

With these two gas projects one thermal project can be constructed there. I think Sir, it will come to the use of atleast two districts and much of the deficit would be covered. I would request the hon'ble Minister kindly to take up the matter with the ONGC so that a way out could be made. Sir, it is said and it is admitted also that the Board is over staffed. But Sir, in my constituency there are two sub-divisions, one REC at Lowairpoa and the other ASEB sub-division at Patharkandi. In both these Sub-divisions electric bills are made after 6 or 7 months. As a result huge amount of money accumulate and the consumers find it very difficult to pay off the money. I draw the attention of the hon'ble Minister to

provide staff and he assured me to do it. But till this day not a single staff has been provided. There is shortage of meter reader and bill clerks etc.,. So I will request the Minister to provide staff there and solve the unbalanced deployment of staff. It will save the Board. Of course, I know that it is not an easy task. There is coterie and the Minister must be dashing and courageous to break through the coteries otherwise how you bring order to the Board? There is power theft also in various forms. There are illegal consumers consuming power illegally and it is known to the Board officials. But Sir, they will not take any step. They do not like it. If these things happen how can we expect good result from the Board or any corporation? In tea gardens Sir, they require more power. But virtually they are not given power as per their requirements. Even there are some 'hanky panky' with the management. Indirectly without recording they are given power to some tea gardens and some hush money is taken from different tea gardens. Sir, some of the tea gardens are electrified and that is under deposit scheme. Deposit scheme is meant only for companies or corporation. Only the managers bungalows are electrified and some staff quarters are electified. But workers' houses are not electrified: Since the Government has anrourced its policy to electrify the tea gardens workers' quarters also it should be done. As I know, electrification in the tea gardens has been orderd, but there is shortage of transformers. And with the shortage of transfomers how can we electrify the tea gardens? This will remain a pious wish.

This is a technical side and I would request the Minister to discuss the matter with the technical experts and solve this problem. Sir, in Karimganj and Hailakandi Sub-division although electrifica'ion schemes have been sanctioned no work has been taken up because electric poles are not available. There is one pole manufacturing industry at Srigouri. But there is l1bour trouble and labour strike took place. In spite of o r repeated insistence Government has failed to recover the poles from there. Why Government is not coming forward to mitigate the grievances of the workers or take legal action against them? I would request the Mininster to look into it. I also took up the matter with him sometime past.

With these few words Sir, I conclude my observation and hope that the Minister will try to look into the grievances of the people and do something good to the Board and also to the consumers.

Thank you sir.

মৌলানা আব্দুল জলিল বাগিবী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে সদনত যি ৫৯,৫১,৩৭,০০০ টকাৰ দাবী মঞ্জুৰী উৎথাপন কৰিছে তাত বিৰোধী সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰিছে মই তাক সমৰ্থন জনাই দুষাৰমান কব খুজিছো। এই বিভাগটোত তিনিটা বিষয়ত ইতিমধ্যেই যথেষ্ট আলোচনা হৈ গৈছে আৰু তাত যিবোৰ খেলি মেলি আৰু অনিয়ম হৈছে সেই বিষয়েও যথেষ্ট আলোচনা হৈছে। গতিকে এই আটাইবোৰ কথা পুনৰ উল্লেখ কৰিবলৈ গৈ মই সময় নষ্ট কৰিব খোজা নাই। মই মাত্ৰ এটা বিশেষ দিশতহে কবলৈ ইচ্ছা প্ৰকাশ কৰিছো। সেইটো হল-গ্ৰাম্য বৈদ্যুতিকৰণ। অসমৰ গাওঁবোৰ বৈদ্যুতিকৰণ কৰাৰ কাৰণে চৰকাৰৰ আঁচনি আছে আৰু সেইমতে চৰকাৰে কাম কৰা বুলি আমাক জনায় আছে। আজি অসমৰ শতকৰা ৯১ জন মানুহেই গাৱঁত বাস কৰে। আমাৰ অসমৰ গাওঁৰ সংখ্যা প্ৰায় ২২ হাজাৰ।

চৰকাৰৰ হিচাব মতে ইতিমধ্যে প্ৰায় ১৮,৪০০ গাওঁ বৈদ্যুতিকৰণ কৰা হৈছে। পাৰ্বত্য অঞ্চলৰ বাহিৰে এই বছৰ আৰু ১৪০০ খন বৈদ্যুতিকৰণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। পাৰ্বত্য অঞ্চলত ১১৮১ খন গাওঁ ইয়াত সামৰি লোৱা হৈছে। এতিয়া কথা হৈছে যে আমাৰ ২২ হাজাৰ খন গাওঁৰ ভিতৰত ইতি-মধ্যে প্ৰায় ১৯ হাজাৰ খন গাওঁত বিজুলি যোগান ধৰা হলেই। যদি এই-টোৱেই সচা হয় তেনেহলে বিজুলি যোগান নধৰা গাওঁ বাকী থাকিল কিমান?

(সময় সংকেত)

উপাধ্যক্ষ : আপুনি সোনকালে শেষ কৰক।

উপাধ্যক্ষ মহোদয়, আমি এটা কথা বুজিব পৰা নাই যে আমাৰ এই বিভাগটোৱে যি খন গাওঁৰ ওপৰেৰে বিজুলি তাঁৰ লৈ যায় সেইখন গাওঁকো বিজুলি যোগান ধৰা গাওঁ বুলি হিচাব কৰে নেকি? নে কৰবাত দুই এখন গাওঁৰ দুই এঘৰ মানুহৰ ঘৰত বিজুলি যোগান ধৰিলেই সেই গাওঁখনত বিজুলি যোগান ধৰা হল বুলি কোৱা হয়?

(সময় সংকেত

উপাধ্যক্ষ মহোদয়, মই মাত্ৰ এটা কথা কৈয়ে শেষ কৰিম। কেইদিন মান আগতে মই এই বিভাগত এখন দৰখাস্ত দিছিলো। কিন্তু সেইখনৰ কাম হল নে নাই একো গম নাপালো। মই এ খন কাগজ আপোনাৰ ওচৰত দাখিল কৰিম। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীতনু কোৱঁৰ : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিদ্যুৎ মন্ত্ৰী মহোদয়, আৰু সদনৰ মাননীয় সদস্য সকল, মই বিদ্যুৎৰ বিষয়ে দুষাৰমান কব ওলাইছো। অসমত প্ৰথমে যেতিয়া অইল ইণ্ডিয়াই তেলৰ ষ্ট্ৰাইক কৰোতে জুই একুৰা ওলাইছিল তেতিয়া মোক এজন ৰাচিয়ান বন্ধুৱে কৈছিল যে একুৰা জুইৰে এখন দেশক বৈদ্যুতিকৰণ কৰিব পাৰে। আমি তেতিয়া সকলোৱে আনন্দিত হৈছিলো কাৰণ ৰুদ্ৰসাগৰক আজি তেল গাওঁ বুলি কয়, লাকুৱাক চি বুলি কয় গেলেকীক হোস্ট বুলি কয়। তেতিয়াই ৰাচিয়ান এক্সপাৰ্টজনে অসমখন নদন বদন হব বুলি কৈছিল। আমিও আশা কৰিছিলো যে অসমত বৰ্ত্তমান চলি থকা ৭০০ খন চাহ বাগিছাই যদি পাৱাৰ পায় তেনেহলে তেওঁ লোকৰ উৎপাদিত শক্তি আৰু বাঢ়িব আৰু তেতিয়া বহুত কাম হব। আমি

* Speeeh not corrected

তাহানিখন ঝুমুৰ নাচোতে কৈছিলো "দেশে বলে আসাম যাবি বসে বসে চায় যাবি হায়ৰে হায় ফাকি দিয়ে চলালী আসাম"। আজিও সেই অৱস্থাই হৈ আছে। মই এদিন যেতিয়া চৰাইদেও বাগিছাত গৈছিলো তেতিয়া তাৰ মেনেজাৰ জনক কৈছিলো যে আগতে আপোনালোকে কয়লা জলাইছিল আৰু এতিয়া যেতিয়া পাৱাৰ পাইছে আপোনালোকে বহুত কামত আগবাঢ়িব পাৰিছে। তেতিয়া তেখেতে উত্তৰ দিছিল যে আগতেই বেছি ভাল আছিল এতিয়া পাৱাৰ পোৱাৰ পাছত গোটেই দিন ৰাত বিজুলিয়ে নাথাকে। গতিকে এতিয়া তেওঁ লোকৰ বস্তুপাতি বিলাকৰহে দাম বাঢ়িছে। মই সেই কাৰণে বিদ্যুৎ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিছাৰিছো এই বিলাক কি হৈছে তেখেতে চাব লাগে। এজন সদস্যাই অলপ আগতে কৈ গৈছে যে বহুত বিলাক ইঞ্জিনিয়াৰে হেনো ৰিজাইন দিছে আৰু বহুতক বদলি কৰিছে। মই নিজে এজন ইঞ্জিনিয়াৰৰ কথা জানো তেওঁ প্ৰজেক্ট অফিচাৰ হৈ আছিল। এতিয়া ৰিজাইন দিছে আৰু বৰ ডাঙৰ ঠিকাদাৰ হৈছে। তেওঁলোকে ক'ত কি কৰিছে আমি জানো।

(সময়ৰ সংকেত)

মই বেছি নকওঁ। আমাৰ দিচাংপানীৰ পৰা গৰমপানীলৈ যিটো আঁচনি লৈছে তাত আমাৰ নিজৰ অসমীয়া কিছুমান ডেকা লৰাৰ নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে তাৰ প্ৰতি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো, নহলে এই লৰা বিলাকৰ কাৰণে বহুত সময়ত আমি হস্তক্ষেপ কৰিবলগীয়া হৈছে।

গতিকে এইখিনি কৈয়ে মই বক্তব্যৰ সামৰণি মাৰিলো।

**Shri Silvius Condpan** :—Mr. Dy. Speaker, Sir, in support of the Cut-motion moved by our party, I would like to make a very brief observation. Sir, every year it has become an annual feature to pass the grants of different departments for appropriating the funds by the departments for the current financial year. Sir, it will be very much encouraging if in course of the reply of the Hon'ble Minister of power we come to know that Government has taken a bold step to implement some of the minor or major power

projects in the State because we are in acute shortage of power throughout the State. At present we are getting less than what is required. Sir, we know it well that the entire demand of our power shortage cannot be met. But atleast the requirement of our domestic consumption must be met. Thererore, Sir, if the Hon'ble Minister in course of his reply gives an assurance that some minor or major power projects will be taken up by this Governmentt, then it will be very much encouraging to us. Secondly, Sir, domestic consumers are at present experiencing lot of harassment with regard to the payment of electric bills. Sir, some of the Hon'ble Members have also pointed out this fact in course of their deliberations. Our villagers are facing lot of harassment, because the bills are not submitted to them in time. When it comes to them, then it becomes beyond their means to make the payment. So, Sir, naturally their connections are discontinued. As a result of that the Board fails to get back the money. So, the question of getting back the money on the part of the Board for the investment becomes very much bleak. I for myself, being a layman, have not seen any other means for the Assam State Electricity Board to get back its money from the consumers. I think, they are big people, monied men or common people, all of them are harassed and it is because of the Department and specially, Assam State Electricity Board's Administration Department and more particularly, the Commercial Department of the Board. Sir, I would like to bring it to the notice of the Minister here that he will kindly use his good offices that the Comm-

ercial Department of the Assam State Electricity Board right from Narangi really looks into the problem of their consumers and the consumers are not harassed in the name of realisation of dues. I persoeally took up the cases with the Commercial Department of the Board. The way they disposed of the cases it seems that they have no heart for their consumers, they have no sense of belonging to the consumers. The consumers of the village areas on the other hand have come to the conclusion that it is better not to have electricity connection than to face such kind of humilation and harassment from the officials of the Assam State Electricity Board. This is the impression of the rural people who have started to become consumers of the Board in order to enjoy all the modern facilities to the extent possible. The Board must work hard to remove such type of attitude. The Electricity Board is a commercial organisation but it does not have commercial outlook It may be that the Government have no power or control, over the ASEB. It does not have accountibility to the Government. Sir, it is almost a decade that I am here in this Assembly and every year we have seen every year the Government is advancing loan to this Board but we have never heard or seen that the Board has earned so much profit nor the functioning of the Board has improved.

Sir, this situation has to be improved with better understanding among the Government and the Assam State Electricity Board.

My second point is regarding rural electrification. The village is sanctioned and everything is ready but there is no work. Why? because there is no post and

because the suppliers and the Electricity Board are having dispute regarding fixation of the rate of the posts and as a result in some cases it took 9 months or even one year to finalise the dispute over rate of posts. Due to shortage of posts many rural areas could not be covered under REC scheme. This is not the fault of the villagers but I think, it is the fault of the Department. The State Electricity Board has failed to fix the rate of the posts for the suppliers. It took so much time, in fact, the working season of the year in the process was simply wasted. This was one of the reasons why they could not come out successful in so far as the contemplation and promises in regard the REC scheme of last year is concerned. This aspect has to be improved.

The last Point I would like to cite is that we have been hearing only about the Dhansiri Mini Hydel project for so many days but we do not know in what shape it is now. I hope the Hon'ble Minister in his reply will make a mention about this. With these submissions; I conclude Sir.

মাননীয় উপাধ্যক্ষ : এতিয়া মাননীয় শক্তিমন্ত্ৰী, শ্ৰীগুনিন হাজৰীকাই এটা বিবৃতি দিব।

*শ্ৰীগুণিন হাজৰীকা (মন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, মই বিদ্যুৎ বিভাগৰ দাবী মঞ্জুৰী উত্থাপন কৰিছো। সেই দাবী মঞ্জুৰী বিৰোধীতা কৰি আমাৰ মাননীয় সদস্য সকলে বহুতো আলাপ-আলোচনাৰ জৰিয়তে আমালৈ পৰামৰ্শ আগবঢ়াইছে। মাননীয় সদস্য শ্ৰীআব্দুল ৰব লস্কৰ, শ্ৰীচেইখ আব্দুল হামিদ, শ্ৰীঅৰ্দ্ধেন্দু দে, শ্ৰীগণেশ বড়ো, শ্ৰীহেমেন দাস শ্ৰীআমিনুল ইচলাম শ্ৰীপদ্মনাথ কৈৰী, শ্ৰীভৰত নৰহ, শ্ৰীবিনয় খুঙুৰ বসুমতাৰী, শ্ৰীদেবেশ্বৰ বৰা.

*Speech not corrected

শ্রীচহিদুল ইচলাম, শ্রীমহেন্দ্র মোহন ৰায়চৌধুৰী, শ্রীমনিলাল গোৱালা শ্রীআব্দুল জেলিল ৰাগিবী, শ্রীতনু কোৱঁৰ আৰু চিলভিয়াচ কন্দপান – এখেতসকলে বিদ্যুৎ পৰিষদৰ বিভিন্ন কাম-কাজৰ গধুৰ সমালোচনা কৰিছে । আৰু তাৰ বাবে তেখেতসকলে সেইবিলাক দোষ ত্রুটি উন্নতকৰণৰ কাৰণে বহুত পৰামৰ্শ আগবঢ়াইছে । তাৰ বাবে তেখেতসকলক প্রথমে ধন্যবাদ জ্ঞাপন কৰিছো । পৰামৰ্শাৱলীৰ জৰিয়তে দোষ ত্রুটিবিলাক আঙুলিয়াই দিয়াত আমিও সেইমতে যত্ন কৰিম । কিন্তু আচলতে বিদ্যুৎ বোৰ্ডটো এটা পঁয়া লগা শিশুৰ নিচিনা । তাৰ অৱস্থা ভাল কৰিবৰ কাৰণে আমি অহোপুৰুষাৰ্থ যত্ন কৰিছো । ১৯৭৫ চনতে এই বিদ্যুৎ বোৰ্ডখন দ্বিখণ্ডিত হয় । এ এচ. ই, বি আৰু এম, ই এচ, ই, বি । তাৰ পাচত লায়েবিলিটিজৰ শতকৰা ৬৬ ভাগ আমাৰ এ, এচ. ই, বিত আৰু শতকৰা ৩৪ ভাগ এম, ই, এচ, ই,বিত পৰে । আৰু পাৱাৰ জেনেৰেছনৰ ক্ষেত্ৰত এ, এচ ই, বিৰ শতকৰা ৪০ ভাগ আৰু এম, ই এচ, ই, বিৰ শতকৰা ৬০ ভাগ । কথা হ'ল—দ্বিখণ্ডিত হওতে ক্ষিৰতী গাইজনীৰ ওহাৰ ভাগ পৰিল মেঘালয়ৰ ফালে আৰু মুখখন পৰিল আমাৰ অসমৰ ফালে । দানাপানী দিয়াৰ ভাৰ পৰিল আমাৰ ওপৰত। তাৰ ফলত আমাৰ বাণিজ্যিক ক্ষতি ৩১/৩/৮৮ লৈকে ৮৬'৪২ কোটি টকা হৈছে । তাতকৈও ডাঙৰ কথা হৈছে ঋণ লৈ । এই বিদ্যুৎ বোৰ্ডখন এই ঋণৰ জালত বন্দী । প্রত্যেক বছৰে ইণ্ডাষ্ট্ৰীয়েল ক্রেডিটৰচক ১৯৮৫/৮৬ ২৪'৫৯ কোটি, ১৯৮৬/৮৭ ৩০ ৮০ কোটি, ১৯৮৭/৮৮ ৩৮'.৯ কোটি ১৯৮৮/৮৯ -৪১'৫৫ কোটি, টকা দিব লগা হৈছে আৰু অসম চৰকাৰক ১৯৮৫/৮৬ চনত ৫৭ ৫৫ কোটি, ১৯৮৬/৮৭ চনত ৭১'২৬ কোটি, ১৯৮৭/৮৮ চনত ৮৪'৬৯ কোটি, ১৯৮৮/৮৯ চনত ৯৭'৭৬, ১৯৮৯/৯০ চনত ২০'৩২ কোটি টকা হবগৈ ।

আজি অসম বিদ্যুৎ পৰিষদ এখন জালৰ মাজত বন্দি হৈ পৰিছে। আজি দাবী মঞ্জুৰীত যিখিনি টকা বিচৰা হৈছে সম পৰিমাণৰ টকা এই বছৰ ৫৬ ৮২ কোটি টকা বিভিন্ন অনুষ্ঠানক সুত হিচাবে দিব লাগিব। মাননীয় সদস্যসকলে বিদ্যুৎ পৰিষদে লাভ কৰাৰ যিটো কথা কৈছে বৰ্ত্তমান বিদ্যুৎ পৰিষদ যিখন জালত বন্দি হৈ আছে সেইখন জালৰ মাজত এক বছৰৰ ভিতৰত লাভ কৰি দেখুৱাব পৰা শক্তি হব বুলি আমি কব নোৱাৰো । ইয়াৰ কাৰণে দীৰ্ঘম্যাদী পৰিকল্পনা লব লাগিব । আনহাতে মাননীয় সদস্যসকলে সমালোচনা কৰিছে

আৰু ময়ো এইটো কথা অনুভৱ কৰিছো যে অসমৰ প্ৰত্যেকখন গাৱঁলৈ বিদ্যুৎ শক্তিৰ যোগান ধৰিব লাগিব। অসমৰ উন্নতি হব তেতিয়াহে যেতিয়া অসমৰ প্ৰত্যেকখন গাৱঁেই বিদ্যুৎ শক্তি ব্যৱহাৰ কৰিবলৈ পাব। গ্ৰাম্য-বৈদ্যুতিকৰণৰ ক্ষেত্ৰত কিন্তু আজি দেখা গৈছে যে বিদ্যুৎ পৰিষদক যি ধন দিয়া হয় সেই ধন ঋণ হিচাবে দিয়া হয়। এতিয়া এই ঋণৰ পৰিমাণ হৈছে ২৫৩ কোটি টকা। ৰাজহ হৈছে ১ কোটি টকা। আমি বাণিজ্যিক হিচাবে এই কাম সম্ভৱ নহয়। এখন জনকল্যাণকামী ৰাজ্য হিচাবে কাম কৰিব পাৰো আৰু লাভজনক ব্যৱসায় ভিত্তিত কাম কৰিব পাৰো তাৰ কাৰণে আমি দাবী কৰিছো যে আমাক কেন্দ্ৰীয় চৰকাৰে যি টকা দিয়ে সেই টকা চাবচিডি হিচাবে দিব লাগে। ভাৰত চৰকাৰে ৰাজ্য চৰকাৰক যি টকা দিয়ে সেই টকা চাবচিডি হিচাবে দিলে বিদ্যুৎ পৰিষদে নিশ্চয় লাভ কৰিব পাৰিব। এই টকা চাবচিডি হিচাবেই দিলেই আমি বাণিজ্যিক দিশটোত চকু দিব পাৰিম।

বিদ্যুৎ উৎপাদনৰ দুটা প্ৰক্ৰিয়া আছে। এটা হৈছে হাইড্ৰয়েল উৎপাদন আৰু আনটো হৈছে থাৰমেল উৎপাদন। হাইড্ৰয়েল উৎপাদনত খৰচ কম পৰে কিন্তু থাৰমেল উৎপাদনত খৰচ বেচি পৰে। মেঘালয়ে যিটো বিদ্যুৎ শক্তি উৎপাদন কৰিছে সেইটো হৈছে হাইড্ৰয়েল আৰু অসমে যি বিদ্যুৎ উৎপাদন কৰিছে সেইটো হৈছে থাৰমেল। সেই কাৰণেই অসমৰ বিদ্যুৎ উৎপাদনৰ খৰচ বাঢ়ি গৈছে। আমি চেষ্টা কৰি আছো যাতে মিক্স পাৱাৰ কৰিব পাৰো। আমি যদি হাইড্ৰয়েল শতকৰা ৬০ ভাগ আৰু থাৰমেল শতকৰা ৪০ ভাগ কৰিব পাৰো তেতিয়াহলে ব্যৱসায় ভিত্তিত আমি লাভবান হব পাৰিব পাৰিম বুলি আশা কৰিছো। সেই কাৰণে এনে ধৰণৰ কেইবাটাও আঁচনি গ্ৰহণ কৰা হৈছে। ইয়াৰ বাহিৰেও গ্যেচ ভিত্তিক প্ৰকল্প আমি লৈছো। আমগুৰিত এটা গ্যেচ ভিত্তিক প্ৰকল্প লোৱা হৈছে। ইয়াৰ বাহিৰেও আমি ধনশিৰী প্ৰজেক্ট, লাংপি প্ৰজেক্ট আদি প্ৰজেক্ট লৈছো। ধনশিৰী হৈছে ১৯.৯৫ মেগাৱাট। প্ৰায় ২০ মেগাৱাট বুলি কব পাৰি। ইয়াৰ বাহিৰেও কিছুমান জলবিদ্যুত্ প্ৰকল্প লোৱা হৈছে। তেনেকুৱা এটা জলবিদ্যুত্ প্ৰকল্প হৈছে নামনি কপিলী জলবিদ্যুৎ প্ৰজেক্ট। আমি জলবিদ্যুৎ প্ৰকল্প বঢ়াৰলৈ চিন্তা কৰিছো। যমুনা জলবিদ্যুত্ প্ৰকল্পৰ কাম হাতত লোৱা হৈছে। আমি আশা ৰাখিছো যে এইটো সম্পূৰ্ণ হলে দেশৰ জলবিদ্যুত্ সমস্যা কিছু পৰিমাণে লাঘৱ হব।

বিদ্যুত্ প্ৰকল্প হিচাবে বঙাইগাওঁ প্ৰকল্পত লোকচান হৈ আহিছে। ১৯৮৭-৮৮ চনত লোকচানৰ পৰিমাণ হ'ল ১ কৌটি ১১ লাখ টকা আৰু ১৯৮৮-৮৯ চনত ইয়াৰ লোকচানৰ পৰিমাণ হ'ল ২.৬৯ কৌটি টকা। এই প্ৰকল্পৰ লোকচানৰ পৰিমাণ নাইকিয়া কৰিবৰ কাৰণে দীৰ্ঘ ম্যাদি পৰিকল্পনাৰ প্ৰয়োজন হৈছে।

আমি লোড ডেভেলাপমেণ্টৰ কাৰণে চেষ্টা কৰি আহিছো। আমাক ৪০০ পৰা ৪৫০ মেগাৱাট লাগে। আমাৰ দিনটোৰ ২৪ ঘণ্টাৰ ভিতৰত ১৯ ঘণ্টাত ১৩০ মেগাৱাট লাগে আৰু বাকী ৫ ঘণ্টাত ১৮০ মেগাৱাট লাগে। এইটো ৰেচিয়নেলাইজ কৰিব পৰা নহব আৰু সমান পৰিমানৰ বিদ্যুৎ যোগান ধৰিব পৰা নহব। আমাৰ ১৯৮৬ চনৰ পৰা ৰাজহৰ পৰিমাণ উন্নত হৈছে। মই এইটো কথা দুখেৰে জনাবলগীয়া হৈছো যে আমাৰ এতিয়াও ৩২২ টা গোচৰ বিচাৰৰ বাবে কৰ্টত পৰি আছে। আমি ১৯৮৯ চনৰ জানুৱাৰীলৈকে ৬ কোটি টকা পাবলগীয়া আছে। এই গোচৰ সমূহ নিস্পত্তি নোহোৱালৈকে ৰাহজ বৃদ্ধিৰ প্ৰচেষ্টা ব্যাহত হব।

আনহাতে বিদ্যুৎ পৰিষদৰ কাম কাজৰ সম্পৰ্কত কোনো কোনো মাননীয় সদস্যই পৰামৰ্শ আগবঢ়াইছে আৰু কোনো কোনো মাননীয় সদস্যই সমালোচনা কৰিছে। কোনো কোনো মাননীয় সদস্যই ভেলৰ যন্ত্ৰ পাতিৰ সম্পৰ্কত সমালোচনা কৰিছে। অৱশ্যে এইটো ঠিক যে ভেলে প্ৰায় বিলাক যন্ত্ৰ পাতিকেই যোগান ধৰিছে। ভেলৰ সকলো বিলাক যন্ত্ৰ পাতিয়েই যে ভাল মই সেই কথা নকওঁ। শ্ৰীহেমেন দাস ডাঙৰীয়াই এটা কথা কৈছে যে অবশ্যে কিছু দিনৰ আগতে মই এই সম্পৰ্কত উত্তৰ দিছিলো যে যন্ত্ৰ পাতি সমূহৰ ক্ষেত্ৰত আসোৱাহ থাকিব পাৰে। অৱশ্যে এইটো কথা ঠিক যে আন্তঃৰাষ্ট্ৰীয় বজাৰত ভেলৰ যন্ত্ৰ পাতিৰ দাম শতকৰা ২৫ ভাগ বেছি। আমি যন্ত্ৰ পাতি বেচি দামত কিনি আনিবলগীয়া হোৱাৰ কাৰণেই প্ৰজেক্টৰ খৰচ বেচি পৰে। আমি কেন্দ্ৰীয় চৰকাৰক এইটো কথা কৈছো যে ভেলৰ যন্ত্ৰ পাতি যোগান ধৰোতে যাতে ভাল যন্ত্ৰ পাতি যোগান ধৰা হয় আৰু সেই সমূহ যাতে চি এৰ দ্বাৰা পৰীক্ষা কৰোৱা হয়। মই এইটো কথা অস্বীকাৰ নকৰো যে বিদ্যুৎ পৰিষদত কিছুমান খেলিমেলি হৈছে। আমি এই বিলাক খেলিমেলি দূৰ কৰিবৰ কাৰণে চেষ্টা কৰি আছো। বিশেষকৈ হাই এচষ্টাব্লিচমেণ্টৰ ক্ষেত্ৰত আমি চকু দিছো। এতিয়া বিদ্যুৎ পৰিষদত ২২ হাজাৰ ৭২৭ জন কৰ্মচাৰী আছে। এক মেগাৱাটৰ কাৰণে ৪৪.১৮। ইয়াত বেচি কৰ্মচাৰী থকাৰ কাৰণে

সমালোচনা হৈছে। এই কৰ্মচাৰী সকলৰ যাতে সৎব্যৱহাৰ হয় তাৰ কাৰণে পৰিকল্পনা কৰা হৈছে। এই সকলক যাতে সমানে ব্যৱহাৰ কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰা হৈছিল। আমি এনে ভাবে এই লোকসকলৰ বিতৰণ ব্যৱস্থা কৰিব ধৰিছা যাতে আমি অধিক কৰ্মচাৰী আছে এই সমালোচনাৰ পৰা হাত সাৰি যাব পাৰো।

উপাধ্যক্ষ মহোদয়, আজি ইউনিয়নৰ কথা কোৱা হৈছে। আমাৰ প্ৰায় ২২ খন ইউনিয়ন আছে। এই ইউনিয়ন সমূহে বিভিন্ন দাবী সমূহ বিভিন্ন ধৰণে ব'ৰ্ডৰ ওচৰত জনাইছে। এই সম্পৰ্কে আলোচনা কৰিবলৈ আজি কনচাল্টিং কো-অৰদিনেটিং কমিটি, চাৰ্কেল কো-অৰদিনেটিং কমিটি আৰু জোনেল কো-অৰদিনেটিং কমিটি গঠন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আজি আমাৰ বিদ্যুৎ পৰিষদত প্ৰায় ৮৮ হাজাৰ কিলোমিটাৰৰ দীঘল লাইন আছে। ইয়াত চুৰিও হৈছে আৰু বিভিন্ন প্ৰকাৰৰ খেলিমেলি হৈছে। আপোনালোকে জানে যে, বিদ্যুৎ পৰিষদত প্ৰায় ৩৫ হাজাৰ কৰ্মচাৰী আছে। কিন্তু নিৰাপত্তা আৰু ৰক্ষনাবেক্ষণৰ বাবে সদায়ে বিদ্যুৎ পৰিষদে জিলা প্ৰশাসনৰ ওচৰত হাত পাতিব লগীয়া হয়। বিভিন্ন জংগল আৰু পথাৰ অঞ্চলৰ মাজেদি যোৱা ইমান দীঘল লাইনৰ নিৰাপত্তা আৰু ৰক্ষনাবেক্ষণ দিয়াটো সম্ভৱপৰ নহয়। গতিকে জিলা প্ৰশাসনৰ সহযোগিতা নিতান্তই প্ৰয়োজন। কেতিয়াবা কেতিয়াবা বিদ্যুৎ বিভাগৰ একাংশ কৰ্মচাৰীয়ে লাইন চুৰি কৰা ক্ষেত্ৰত জড়িত থাকিব পাৰে বা বিদ্যুৎ বিভাগৰ কৰ্মচাৰী সকলৰ অৱহেলাৰ বাবে চুৰি আদি হব পাৰে। কিন্তু ৮৮ হাজাৰ কিলোমিটাৰৰ দীঘল লাইন এটা বিদ্যুৎ পৰিষদৰ কৰ্মচাৰী সকলৰ দ্বাৰাই যে নিৰাপত্তা আৰু ৰক্ষনাবেক্ষণ দিব পৰা নেযায় এইটো কথা স্পষ্ট। তাৰ বাবে ৰাইজৰ সহযোগিতা লাগিব। মাননীয় সদস্য বিনয় কুমাৰ বসুমতাৰী ডাঙৰীয়াই হাই টেনচন লাইন টনাৰ কথা উল্লেখ কৰিছে। তাৰ বাবেও ৰাইজৰ সহযোগিতা লাগিব। আনকি মই দেখিছো যে, স্থানীয় ৰাইজে চোৰ ধৰা পেলাইছে আৰু তাৰ ফলস্বৰূপে চুৰি কৰাটো বন্ধ হৈ গৈছে। ইয়াৰ বাবে জিলা প্ৰশাসন আৰু স্থানীয় ৰাইজ উভয়ৰে সহযোগিতা থাকিব লাগিব। তেতিয়াহলে আমাৰ বিদ্যুৎ পৰিষদৰ যি ৮৮ হাজাৰ কিলোমিট ৰ দীঘল লাইন আছে তেতিয়াহলে ৰক্ষা কৰিব পাৰিম। ইয়াৰ কাৰণে আপোনালোকৰো সহযোগিতাৰ প্ৰয়োজন হব তেতিয়াহে ৰক্ষনাবেক্ষন কৰিব পৰা হব। বিদ্যুৎ পৰিষদত অপৰিকল্পিত ভাবে

কিছুমান সামগ্ৰী এখক বেচিচত কিনা হৈছিল। এতিয়াও প্ৰায় ১০ কোটি টকাৰ সামগ্ৰী বিদ্যুৎ পৰিষদৰ ভৰালত পৰি আছে। অপৰিকল্পিতভাবে বস্তু ক্ৰয় কৰি আজি ভৰালত পেলাই ৰখা হৈছে। যোৱা কেইটা বছৰত ঘটি অহা কিছুমান অনিয়মৰ ফলত, কিছুমান ব্যৱস্থাৰ ফলত এই বিভাগত বহুতো কাম স্তুপীকৃত হৈ আছে। বহু দূৰ্নীতিও চলি আছে। এইবিলাক আঁতৰ কৰিবলৈ আমি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তাৰ বাবে আমাৰ কৰ্মদক্ষতা বঢ়াব লাগিব। আজি বহুতো মাননীয় সদস্যই সমালোচনা কৰিছে যে, কৰ্মদক্ষতা বা যিটো ওৱৰ্ক কালচাৰ সেইটো বিদ্যুৎ পৰিষদত নাই। আৰু অসম ৰাজ্যৰ বিভিন্ন ঠাইত আছেনে নাই সন্দেহ আছে। বিদ্যুৎ পৰিষদৰ বহুতো কৰ্মচাৰীৰ কাম কৰাৰ মনোভাব আছে। এনে কিছুমান কৰ্মচাৰী আছে, যিসকলে দিনে নিশাই টোপনি ক্ষতি কৰি কামত আত্মনিয়োগ কৰাৰো উদাহৰণ আছে। আমি যেতিয়া ফেনৰ তলত এয়াৰ কন্দিচনাৰ লৈ টোপনিত নিমগ্ন হৈ থাকো তেতিয়াও এচাম কৰ্মচাৰীয়ে বহুতো ইঞ্জিনিয়াৰে ধুমুহাক আওকান কৰি বিজুলী সৰবৰাহ কৰাৰ কামত ব্ৰতী থাকে। সেই সকলক আমি স্বীকৃতি দিব লাগিব আৰু আপোনালোকেও প্ৰশংসা কৰিব লাগিব। আনহাতে এনেকুৱা কিছুমান কৰ্মচাৰীও আছে যি সকল এক সপ্তাহ ধৰি লাইনৰ বেৰেল পৰি থাকিলেও ৰাইজে বাৰে বাৰে আপত্তি কৰা স্বত্বেও কোনো ব্যৱস্থা গ্ৰহণ নকৰে। আমি প্ৰশাসনীয়ভাবে এইবিলাক বিষয়ৰ ওপৰত ব্যৱস্থা লব লাগিব। কিন্তু যিসকল কৰ্মচাৰীয়ে কামত গাফিলিতি নকৰাকৈ ৰাতিয়ে দিনে টোপান ক্ষতি কৰি আমাৰ ৰাজ্যত বিদ্যুৎ প্ৰবাহ কৰাৰ কাৰণে চেষ্টা কৰিছে সেই সকলক আপোনালোকেও প্ৰশংসা কৰিব লাগিব। তেতিয়াহে তেওঁলোকে কাম কৰিবলৈ উৎসাহ আৰু প্ৰেৰণা পাব। তেতিয়া তেওঁলোকৰ কামৰ মূল্যায়ন কৰা হব আৰু লিডাৰচিপ লৈ টিম হিচাবে গঢ়ি তুলি কাম কৰিবলৈ উৎসাহ পাব। গতিকে মই আশা কৰিছো যে সেই সকল কৰ্মচাৰীক আপোনালোকে প্ৰশংসা আগবঢ়াব।

উপাধ্যক্ষ মহোদয়, আজি উত্তৰ পূৰ্ব্বাঞ্চলত বিদ্যুৎৰ নাটনি হোৱা নাই। বিদ্যুৎ আমি যিমান প্ৰয়োজন সিমান উৎপাদন কৰিব পৰা নাই। সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলত নৰ্থ ইষ্টাৰ্ণ ৰিজিয়নেল বৰ্ড এটা আছে। তাৰ ওপৰিও নেপকো', এম, এচ, পি এচৰ, পৰা বিদ্যুৎ শক্তি লোৱা হৈছে কেতিয়াবা কেতিয়াবা বিদ্যুৎ সৰবৰাহত গন্দগোল হয়। কিয়নে: গোটেই বিদ্যুৎ ব্যৱস্থাটো এটা

কাৰিকৰী ব্যৱস্থাৰ মাজেৰে চলা ব্যৱস্থা। গতিকে এই কাৰিকৰী ব্যৱস্থাটো দক্ষতা আৰু কৌশলেৰে পৰিচালনা কৰিব লাগিব। গতিকে আমি বাৰে বাৰে দাবী কৰি আহিছো যে নৰ্থ ইষ্টাৰ্ন ৰিজিয়নেল বৰ্ডৰ যিটো মূল নিয়ন্ত্ৰন কক্ষ সেইটো অতি সোনকালে আৰম্ভ কৰিব লাগে। আৰু তেতিয়া গুৱাহাটীত থকা কাহিলিপাৰাৰ এ, এচ, ই, বিৰ নিয়ন্ত্ৰন কক্ষৰ পৰা নিয়ন্ত্ৰন নহব। নেপকো আৰু এম এচ. পি এচৰ পৰা যি বিদ্যুৎ পোৱা হব সেই বিদ্যুতেৰে সমগ্ৰ ৰাজ্যখনত থকা নেট ওৱৰ্ক বিলাকত বিতৰণ কৰাৰ ক্ষেত্ৰত সুবিধা হব। এতিয়া কেতিয়াবা অ-নিয়ন্ত্ৰিত হোৱা বাবে বিদ্যুৎৰ খেলিমেলি হোৱা দেখা গৈছে। তাৰ বাবে নৰ্থ ইষ্টাৰ্ন ৰিজিয়নেল বৰ্ডে চিষ্টেম দিছে। আশা কৰিছো সোনকালেই হব। মিটাৰ ৰিদিংৰ ক্ষেত্ৰত মাননীয় সদস্য অৰ্দ্ধেন্দু দেৱ ডাঙৰীয়াই কৈছে যে, ট্ৰেন্সমিচনৰ দিষ্ট্ৰিবিউচনটো বঢ়াব লাগে। এইটো বঢ়াবৰ বাবে গুৱাহাটীত এটা ১২৫০ কোটি টকাৰ আঁচনি লোৱা হৈছে। ই তেজপুৰ, ডিব্ৰুগড় আদি অঞ্চলকে সামৰি লব। মিটাৰ ৰিদিংত খেলিমেলি হোৱা বাবে চেয়াৰমেনৰ তত্বাবধানত এটা ভিজিলেন্স চে'ল কৰা হৈছে। ইয়াৰ চোৱা চিটা কৰাৰ বাবে ২টা ফ্লায়িং স্কোৱাদ থাকিব আৰু ফ্লায়িং স্কোৱাদৰ বিষয়া সকলে চেয়াৰমেনৰ নিৰ্দ্দেশমতে কাম বিলাক চোৱা চিতা কৰিব। তাৰ ওপৰিও একোজন অধীক্ষকৰ তলত একোটাকৈ পৰিদৰ্শন চেল থাকিব। তাৰ বাহিৰে ইঞ্জিনিয়াৰো দিয়া হৈছে। কণ্টাচকুলেশ্যন আৰু মনিটেৰিঙৰ ব্যৱস্থাও কৰা হৈছে। অহা বছৰ ১২১ খন গাৱত বিজুলী দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিদ্যুৎ শক্তিৰ বিকাশত অন্ধ্ৰপ্ৰদেশৰ ডাঃ ৰাওৰ অৰিহনা অপৰিহাৰ্য্য। আমাৰ ইয়াতো যদি ডঃ ৰাওৰ নিচিনা ইঞ্জিনয়াৰ থকা হলে বিদ্যুৎ বিভাগৰ ক্ষেত্ৰত আমি বহুতো আগবাঢ়ি গলো হয়। আজি বহুতো মাননীয় সদস্যই বিদ্যুৎ পৰিষদৰ উন্নয়নৰ বাবে, বিদ্যুৎ যোগানৰ উন্নয়নৰ বাবে বহুতো পৰামৰ্শ আগ ঢ়াইছে। গতিকে মই আশা কৰিছো যে, আজি এই মঞ্জুৰীৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আনিছে, সেই প্ৰস্তাৱটো উঠাই লব আৰু দাবী মঞ্জুৰী গ্ৰহণ কৰিব।

**Mr. Deputy Speaker** : Now, Shri Abdul Muqtadir Choudhury. He is absent. So I put the cut motion before the House—that the total provision of Rs. 59,5 ,37,000

under Grant No. 62 in respect of "Power (Electricity)" at pages 17 21 of Volum II, Part XVI of tbe Budget be reduced by Rs. 100·00, i.e. the amount of the whole grant of Rs. 59,51,37,000 do stand reduced by Rs. 100·00.

The cut motion is lost.

Now, Shri Sheikh Abdul Hamid.

Shri Sheikh Abdul Hamid : I withdraw.

শ্রীগণেশ বড়ো : মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত যিকেইটা লাইন ৪/৫ মাহে জ্বলা নাই সেই কেইটা জ্বলাৰ ব্যৱস্থা কৰিবনে, মন্ত্ৰী মহোদয়ে আশ্বাস দিব লাগে।

শ্ৰীগুনীন হাজৰিকা (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, বিবেচনা কৰিম।

শ্ৰীআমিনুল ইচলাম : মান কাছাৰৰ হাতচিং মাৰিত পাম্পচেট ব্যৱহাৰ কৰি থকা হৈছে। গতিকে বিদ্যুৎ শক্তি ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীগুনীন হাজৰিকা (মন্ত্ৰী : মাননীয় উপাধ্যক্ষ মহোদয়, বিষয়টো বিবেচনা কৰা হব।

Mr. Deputy Speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion?

With leave of the House the cut motion is withdrawn.

Now Shri Abdul Jabbar.

He is not present. So I put the Cut Motion before the House. The Motion is that the total provision of Rs. 59,51,37,000 under Grant No. 62 in respect of "power (Electricity)" at pages 17-21 of Volme II part-XVI of the Budget be reduced to Rs 1.00 i.e. the amount of the whole grant of Rs. 59,51,37,000 do stand reduced to Rs.1.00.

(The Cut Motion rejected by voice vote)

Now Hon'ble member, Shri Ganesh Boro. Would you like to withdraw your Cut Motion?

শ্ৰীগনেশ বড়ো : মই কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈছো।

Mr. Deputy Speaker : Is it the pleasure of the House to grant leave to withdraw the Motion ? (voice-yes, yes)

The leave is granted, the Cut Motion by Shri Ganesh Boro stands withdrawn.

Shri Binai Khungur Basumatari : Sir, there are many names against each Cut Motion. Any one can withdraw ?

Mr. Deputy Speaker : Now, Shri Hemen Das—are you withdrawing your Cut Motion ?

শ্ৰীহেমেন দাস : মই কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈছো।

Mr. Deputy Speaker : Is it the pleasure of the House to grant leave to withdraw his Cut Motion ? (voice-yes, yes) The Cut Motion stands withdrawn after the leave is granted. Now Hon'ble Member, Shri Aminul Islam. Will you withdraw your Cut Motion ?

Shri Aminul Islam : Sir, I withdraw my Cut Motion.

Mr. Deputy Speaker : Is it the pleasure of the House to grant leave to withdraw the Cut Motion ? (voice-yes, yes

The leave is granted ; the Cut Motion is withdrawn. Now I put the main Motion before the House for approval. The Motion is that a sum of Rs. 4',63 53,0.0 be granted to the Minister In-charge to complete the sum of Rs. 59,51,37,000 necessary to defray the charges which will come in course of payment during the yeer ending the 31st March 1990 for the administration of "power Electricity".

(The Motion is passed by voice vote. Grant No. 62 is adopted) माननীয় উপাধ্যক্ষ : এতিয়া সদন অহা ১৬ মে মঙ্গলবাৰৰ ৰাতিপুৱা ৯ বজালৈ স্থগিত ৰখা হল।

## ADJOURNMENT

The House then rose at 1:35 P.M. and stood adjourned till 9 A.M on Tuesday' the 16th May, 1989.

Dispur,
The 15th May, 1989.

S. N. Deka,
Secretary,
Assam Legislative Assembly.

## ANNEXURE–I

## MEMORANDUM OF ASSOCIATION OF ASSAM STATE CHAR DEVELOPMENT AUTHORITY.

III. The object for which the society is established is "CHARITABLE" in general and the main objective of the society in particular shall be :

(a) To identify medium farmers, small farmers, marginal farmers, landless agricultural and non agricultural labourers, rural artisans and weavers and in particular persons of scheduled castes and tribes and other backward classes origin living in char areas who are also medium, small and marginal farmers and landless labourers, rural artisans etc. and thereafter to be described as target group.

(b) To identify a char (riverine island, or a cluster of chars and consider these areas as a terrtorial production complex and to draw up comprehensive area Dev. plan for such char areas integrating agriculture and cropping in the wider sense with Animal Husbandry, Dairy, Poultry, Fisheries, Sericulture, Weaving, Vegetable farming, Village Industries and basic social and other economic services under tertiary sector with a view to raise the productivity and incomes of the target group in the char areas in general and in particular of those living below the poverty line, proper utilisation of development potential, maximise employment opportunities through a co-ordinated and inter related investment porgramme and activities to draw up model plans and schemes in various sectors for investment and productive activities to be undertaken by the target groups.

(c) To execute these plans for the benefit of the target groups either directly or through others in co-ordination with the existing agencies engaged in this direction in the field whether private, public or co-opertative such as Mahkuma Parisad, the Agro Industries Corporation, Assam Seeds Corpcration, Co-operative Banks G..P.S.S, Commercial Banks, Departments of the State and Central Government etc.

(d) To review the progress of the execution of these activities as well as the effectiveness of the benefits directed towards the target groups.

(B) To attain the above main objectives, the society may.

(a) take steps to ensure adequate credit to the 'Target group' by providing grants to the credit institution such as G.P.S.S. operating in the char areas to cover any loaning riaks that they may be exposed to the financing the 'target groups' and by helping them to build up special funds for this purpose.

(b) to provide grants/subsidies to such a credit institution for strengthening their manageral and supervisory staff.

(c) to give such assistance to the "target groups" including grants and may be necessary for furthering the purposes of the plans and schemes under-taking/supported by the society.

(d) to organise and arrange for providing pupplies of inputs such as fertilisers, seeds and pesticides, yarn, cattle and poultry feeds, fodder, seeds to the target groups.

(e) to arrange and organise supplies of agricultural machinery and implements such as tractors, rigs, boring equipments etc. to the target groups.

(f) to arrange and organise the provisions of custom service of agriculture machinery and implements such as tractors, power tillers, rigs, boring equiments etc. to be let out to target groups on hier.

(g) to render assistance for the development of agriculture, animal husbandary, dairy, sericulture and weaving, horticulture, cottage and small industries and productive services under teritary sector for the benefit of the target groups.

(h) to undertake directly or through others work programme such as irrigation, land levelling bunding, lining, soil conservation, social forestry as may be deamed necesary/beneficial to the target groups.

(i) to organise processing and marketing activities of the agricultural, livestock, diary poltry and ancillery produce of the groups.

(j) to assist and strengthen the marketing and processing societies and organisations;

(k) to draw, accept, make endorse, discount and negotiate with State Government Government of India and other promisory notes, bills of exchange, cheques or other negotiable instruments.

(l) to invest the funds or the money entrusted to the society upon security or in any such manner, as may, from time to time be determined by the Governing Body, and from time to time sell or transpose such investment.

(m) to purchase, take on lease, accept as gift, cons-

truct or otherwise acquire any loan on property wherever suitable which may be necessary useful for the society.

(n) to employ directly or indirectly by grants to other institutions, persons to further the programmes to be undertaken/supported by the society.

(o) to set up or establish any special service such as dispensary laboratory or processing plant, ferry service etc, in furtherance of the economic interet of the target groups in perticular and the char population in general.

(p) to sell, lease, exchange and otherwise transfer any poretion of the properties of the society.

(q) to do all other such things as may be considered necessory by the society and may be incidental or conductive to the attainment of its objective.

## ANNEXURE – II

## DISTRICT WISE FIGURES OF FLOOD AFFECTED PEOPLE FOR THE YEAR 1987

| Name of District | Population affected (in lakhs) |
|---|---|
| Barpeta | 14.59 |
| Kokarjhar | 2.71 |
| Nalbari | 5.63 |
| Goalpara | 8.84 |
| Kamrup | 5.04 |
| Dhubri | 10.31 |
| Nagaon | 12.52 |
| Jorhat Includieg Golaghat | 12.53 |
| Sibsagar | 3.67 |
| Lakhimpur | 14.48 |
| Darrang | 6.65 |
| Sonitpur | 4.73 |
| Karimgang | 0.11 |
| Dibrugarh | 2.48 |
| Karbi-Anglong | 0.29 |
| Pragjyotishpur | 0.32 |
| Total : | 104.90 |

## Annexure—II



### PEOPLE AFFECTED BY FLOOD 1988
### (IN LAKHS)

| NAME OF DISTRICT | WAVE | | | | | TOTAL |
|---|---|---|---|---|---|---|
| | 1ST | | 3RD | 4TH | 5TH | |
| 1 | 2 | 3 | 4 | 5 | 6 | 7 |
| 1. Nagaon | 7.09 | 8.79 | — | 9.60 | — | 25.48 |
| 2. Karbi Anglong | .64 | .41 | — | 0.12 | — | 1.17 |
| 3. Kamrup | 2.45 | 3.08 | — | 9.85 | — | 15.38 |
| 4. Nalbari | .90 | 1.22 | — | 3.60 | — | 5.72 |
| 5. Barpeta | 2.30 | 1.35 | — | 10.00 | — | 13.65 |
| 6. Darrang | .19 | 1.08 | — | 1.90 | — | 3.17 |
| 7. Jorhat | .25 | .61 | — | 5.55 | 1.75 | 8.14 |
| 8. Lakhimpur | .65 | 2.52 | .61 | 7.90 | — | 11.68 |
| 9. Dhubri | .48 | 2.20 | — | 12.64 | — | 15.32 |
| 10. Dibrugarh | .15 | .51 | .51 | 3.13 | 0,07 | 4.37 |
| 11. Golaghat | .11 | .18 | — | 1.36 | — | 1.65 |
| 12. Sonitpur | — | .29 | .08 | 2.10 | — | 2.47 |
| 13. N.C.Hills | .003 | — | — | — | — | .003 |
| 14. Karimganj | — | — | — | 0.81 | — | .81 |
| 15. Sibsagar | — | .05 | .43 | 2.00 | — | 2.48 |
| 16. Kokrajhar | — | .07 | — | 3.70 | — | 3.77 |
| 17. Goalpara | — | 1.52 | — | 7.31 | — | 8.83 |
| 18. Cachar | — | .10 | — | 2.58 | — | 2.68 |
| Total | 15.213 | 23.98 | 1.63 | 84.13 | 1.82 | 126.773 |

Statement showing the Sub-Divisionwise Release of Fund from the Head "2245" as on 31-3-89

| Name of the Sub-Division | Gratuitous Relief | | Rehabilitation Grant | | | | Ex-Gratia |
|---|---|---|---|---|---|---|---|
| | Adhoc | Flood | Adhoc | Flood | Fire | Storm | |
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 |
| Dibrugarh | 50,000 | 9,39,148·51 | 1,00,000 | 49,84,900 | | | 80,000/- |
| Tinsukia | 50,000 | 2,94,228·31 | | | | | |
| Sadiya | 50,000 | 6,24,315·00 | | | | | |
| Lakhimpur | 50,000 | 11,83,142·00 | 1,00,000 | 58,38,667 | | | 1,20,000/- |
| Dhemaji | 50,000 | 87,01,470·00 | | | | | |
| Jonai | 50,000 | 26,44,658·00 | | | | | |
| Sibsagar | 50,000 | 8,88,438 00 | 1,00,000 | 8,00,000 | | | 25,000/- |
| Charaideo | 50,000 | | | | | | |
| Jorhat | 50,000 | 27,27,000·00 | 1,00,000 | 93,00.000 | | 1,00,000 | 30,000/- |
| Majuli | 50,000 | 8,45,599·99 | | | | | |
| Golaghat | 50,000 | 3,75-776·00 | 1,00,000 | 30,00,000 | | | 20,000/- |
| Dhansiri | 50,000 | | | | | | |
| Nagaon | 50,000 | 59,06,015·00 | 1,00,000 | 1,63,98,900 | | | 3,42,000/- |
| Morigaon | 50,000 | 17,74,397·17 | | | | | |
| Hojai | 50,000 | 4,18,500·00 | | | | | |
| Sonitpur | 50,000 | 4,80,610·00 | 1,00,000 | 10,00,000 | | | 40,000/- |
| Biswanath | 50,000 | 4,72,720·00 | | | | | |

Annexure—III



| | | | | | | | |
|---|---|---|---|---|---|---|---|
| Darrang | 50,000 | 18,45,486·00 | 1,00,000 | 51,05,600 | | | 75,000/- |
| Odalguri | 50,000 | 50,000·00 | | | | | |
| Kamrup | 50,000 | 15,92,103·58 | 1,00,000 | 28,60,650 | 8,500 | 1,500 | 85,000/- |
| Pragjyotishpur | 50,000 | | | | | | |
| Rangia | 50,000 | 3,79,000·00 | | | | | |
| Nalbari | 50,000 | 13,45,000·00 | 1,00,000 | 35,89,100 | | | 15,000/- |
| Barpeta | 50,000 | 15,87.000·00 | 1,00,000 | 20,97,250 | 1,500 | | 1,15,000/- |
| Dhubri | 50,000 | 29,05,637·92 | 1,00,000 | 1,00,00,000 | | | 25,000/- |
| South Salmara | 50,000 | 3,99,000·00 | | | | | |
| Kokrajhar | 50,000 | 8,58,000·00 | 1,00,000 | 12,00,000 | | | 20,000/- |
| Gossaigaon | 50,000 | 2,79,000·00 | | | | | |
| Goalpara | 50,000 | 11,20,500·00 | | 1,00,000 | | | 50,000/- |
| North Salmara | 50,000 | 3,79,000·00 | | | | | |
| Silchar | 50,000 | 3,44,000 00 | 1,000,00 | 8,86,600 | | | 50,000/- |
| Hailakandi | 50,000 | 1,25,774·00 | | | | | |
| Karimganj | 50,000 | 1,39,500·00 | 1,00,000 | | | | |
| Diphu | 50,000 | 1,00,000·00 | 1,00,000 | 3,50,000 | | | 25,000/- |
| Hamran | 50,000 | 99,900·00 | | | | | |
| Haflong | 50,000 | | 1,00,000 | 40,000 | | | |
| Maibong | 07,000 | | | | | | |
| TOTAL Rs. | 18,07,000 | 4,17,24,972·48 | 18,00,000 | 7,03,82,367 | 10,000 | 10,15,00 | 11,17,000/- |

Fund released to other Departments.

| | | | | |
|---|---|---|---|---|
| 1. | Supply (Statfed) | — | Rs. | 12,00,00,000/- |
| 2. | P. W. D. | — | Rs. | 9,08,00,000/- |
| 3. | Flood Control | — | Rs. | 28,29,00,000/- |
| 4 | Irrigation | — | Rs. | 3,73,00,000/- |
| 5. | A. H & Veterinary | | Rs. | 2,50,00,000/- |
| 6. | Agriculture | — | Rs. | 5,85,00,000/- |
| 7. | Health Service | — | Rs. | 1,30,00,000/- |
| 8. | Public Health Engineering | — | Rs. | 85,50,000/- |
| 9. | Inland Water Transport | — | Rs. | 50,00,000/- |
| 10. | Municipal Administration | — | Rs. | 2,00,00,000/- |
| 11. | Panchayat & R. D. | — | Rs. | 2,50,00,000/- |
| 12 | Fisheries | — | Rs. | 50,00,000/- |
| 13 | Handloom & Textiles | — | Rs. | 60,00,000/- |
| 14. | Dairy Development | — | Rs. | 17,00,000/- |
| 15. | Soil Conservation | — | Rs. | 20,00,000/- |
| 16. | Power (Electricity) | — | Rs. | 1,25,00,000/- |
| 17. | Forest | — | Rs. | 1,50,00 000/- |
| 18. | Education | — | Rs. | 50,00,000/- |
| 19. | Assam State Char Area Development Authotity | — | Rs. | 5,00,000/- |
| 20. | Home | — | Rs. | 10,00,000/- |
| 21. | General Admn. Department | — | Rs. | 50,00,00e/- |
| | TOTAL : | | Rs. | 73,97,50,000/- |

| | | | | |
|---|---|---|---|---|
| B.F. | Total G. R. | | Rs. | 4,35,31,972·48 |
| | Total R. G. | | Rs. | 7,22,93,867·00 |
| | Total Ex-Gratia | | Rs. | 11,17 000·00 |
| | Grand Total : | | Rs. | 11,69,42,839·48 |
| | | — | Rs, | 11,69,42,839 48 |
| | | — | Rs. | 73,97,50,000 00 |
| | Total expenditure | — | Rs. | 85,66,92,893·48 |
| | Budget Provision | — | Rs. | 7,25,02,000·00 |
| | Supplementary Demand | — | Rs. | 85,20,00,000·00 |
| | Total : | — | Rs. | 92,45,02,000·00 |
| | (—) Total expenditure | — | Rs. | 85,66,92.839·42 |
| | Balance | — | Rs. | 6,78,09,160,58. |